# তাওহীদৰ কলিমা: লা-ইলা-হা ইল্লাল্লাহ

## [ইয়াৰ ফজীলত, অৰ্থ, চৰ্ত আৰু পৰিপন্থী বিষয়]

# كلمة التوحيد لا إلٰه إلا اللّٰه

فضائلها ومدلولها وشروطها ونواقضها

[ অসমীয়া – Assamese – آسامي ]

শ্বাইখ ড. আব্দুৰ ৰাজ্জাক ইবনে আব্দুল মুহছিন আল-বদৰ

৩০৩২

অনুবাদ

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী
ইছলামী বিশ্ববিদ্যালয় মদীনা ছৌদি আৰব

# كلمة التوحيد لا إله إلا الله

## فضائلها ومدلولها وشروطها ونواقضها

[ অসমীয়া – Assamese – آسامي ]

د/ عبد الرزاق بن عبد المحسن البدر

ترجمة: رفيق الاسلام بن حبيب الرحمن

# সূচীপত্র


| ক্ৰমঃ | বিষয় | পৃষ্ঠা |
|---|---|---|
| ১ | ভূমিকা | 3 |
| ২ | তাওহীদৰ কলিমা: লা-ইলা-হা ইল্লাল্লাহৰ ফজিলত | 4 |
| ৩ | হাদীছৰ পৰা কলিমাৰ অন্যান্য ফজিলতসমূহ | 15 |
| ৪ | লা-ইলা-হা ইল্লাল্লাহৰ চৰ্তসমূহ | 25 |
| ৫ | লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ আৰু বক্তব্য | 37 |
| ৬ | লা-ইলা-হা ইল্লাল্লাহ ভঙ্গকাৰী কাৰণসমূহ | 47 |
| ৭ | বিশেষ্য হওঁক বা সৰ্বনাম এক শব্দৰ জিকিৰ বৈধ নহয় | 56 |

# ভূমিকা

সকলো ধৰণৰ প্ৰশংসা কেৱল আল্লাহ তাআলাৰ বাবে, যিজন সৃষ্টিজগতৰ ৰব্ব। মই সাক্ষ্য দিওঁ যে, একমাত্ৰ আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁৰ কোনো অংশীদাৰ নাই। মই আৰু সাক্ষ্য দিওঁ যে, মুহাম্মাদ তেওঁৰ বান্দা আৰু ৰাছুল। আল্লাহে তেওঁৰ ওপৰত ছালাত আৰু ছালাম প্ৰেৰণ কৰক।

তাৰ পিছত, এই পুস্তিকাখনত আটাইতকৈ বৰকতময়, মহান, শ্ৰেষ্ঠ আৰু কল্যাণকৰ কলিমা ‘লা-ইলাহা ইল্লাল্লাহ’ৰ ফজীলত, মূলবক্তব্য, চৰ্ত আৰু পৰিপন্থী বিষয়ক অতি জৰুৰি বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে। পুস্তিকাটো আচলতে মোৰ লিখা (فقه الأدعية والأذكار) গ্ৰন্থৰ এটা অধ্যায়। কিছুমান বন্ধুৰ আগ্ৰহত পুস্তিকাখনি স্বতন্ত্ৰভাৱে প্ৰকাশ কৰা হ’ল, যাতে ইয়াৰ উপকাৰীতা ব্যাপক হয় আৰু তাৰ পৰা উপকৃত হ’বলৈ সকলোৰে সহজ হয়। আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছো, তেওঁ ইয়াত বৰকত দান কৰক আৰু তেওঁৰ নিজ বান্দাসকলৰ মাজৰ পৰা যাৰ বাবে ইচ্ছা তাৰ বাবেই এই পুস্তিকাক হিদায়তৰ অছীলা কৰক। আমাক সকলোকে তেওঁ সঠিক আৰু পোন পথ প্ৰদান কৰক, সেইসকল লোকৰ পথ যিসকলৰ ওপৰত তেওঁ নি‘আমত দান কৰিছে। যেনে, নবী, ছিদ্দিক, শ্বহীদ আৰু পূণ্যবান বান্দাসকলৰ পথ। বন্ধু হিচাপে তেওঁলোকেই সৰ্বোত্তম, আল্লাহেই যথেষ্ট আৰু তেৱেঁই সৰ্বোত্তম অভিভাৱক। আমাৰ নবী মুহাম্মাদ, তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ সকলো সঙ্গীৰ ওপৰত আল্লাহে ছালাত ও ছালাম প্ৰেৰণ কৰক।

আব্দুৰ ৰাজ্জাক ইবনে আব্দুল মুহছিন আল-বদৰ

এই কথাত কোনো সন্দেহ নাই যে, তাওহীদৰ কলিমাৰ বহুতো মহান ফজীলত আছে, বহুতো মৰ্যদা আৰু বিশেষ বৈশিষ্ট্য আছে, যিবোৰ কাৰো পক্ষেই অনুসন্ধান কৰি শেষ কৰা সম্ভৱ নহয়। কাৰণ, এই কলিমা সৰ্বোত্তম, সৰ্বশ্ৰেষ্ঠ আৰু সবাতোকৈ মহান। এই কলিমাৰ বাবেই মখলুকক সৃষ্টি কৰা হৈছে, ৰাছুলসকলক প্ৰেৰণ কৰা হৈছে আৰু কিতাব অৱতীৰ্ণ কৰা হৈছে। এই কলিমাৰ বাবেই মানুহ কাফিৰ আৰু মুমিন দুভাগত বিভক্ত, কোনোবাই সৌভাগ্যবান জান্নাতী, আকৌ কোনোবা হতভগা জাহান্নামী। এইটোৱেই মজবুত ৰছী আৰু তাক্বৱাৰ কলিমা, দ্বীনৰ মহান ৰুকন আৰু ঈমানৰ গুৰুত্বপূৰ্ণ শাখা। এই কলিমাৰ দ্বাৰাই জান্নাত লাভ হয় আৰু জাহান্নামৰ পৰা মুক্তি। এই কলিমাই জান্নাতৰ চাবি, দ্বীনৰ মূল শিক্ষা, মৌলিক স্তম্ভ আৰু প্ৰধান শিৰোনাম। এই কলিমাৰ ফজীলত আৰু মৰ্যদা যেনেকৈ মূল্যায়ন কৰা হওঁক, জ্ঞানীসকলে তাৰ পৰা যিমানেই জ্ঞান আহৰণ নকৰক কিয়, কাৰো পক্ষেই সেয়া পূৰ্ণৰূপে আয়ত্ত কৰা সম্ভৱ নহয়। আল্লাহ তা'আলাই কৈছে,

﴿شَهِدَ ٱللَّهُ أَنَّهُۥ لَآ إِلَٰهَ إِلَّا هُوَ وَٱلۡمَلَٰٓئِكَةُ وَأُوْلُواْ ٱلۡعِلۡمِ قَآئِمَۢا بِٱلۡقِسۡطِۚ لَآ إِلَٰهَ إِلَّا هُوَ ٱلۡعَزِيزُ ٱلۡحَكِيمُ ١٨﴾ [آل عمران: ١٨]

"আল্লাহে সাক্ষ্য দিয়ে যে, নিশ্চয় তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, আৰু ফিৰিস্তাসকল লগতে জ্ঞানীসকলেও এই সাক্ষ্য দিয়ে; তেওঁ ন্যায়নীতিৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, (তেওঁ) পৰাক্ৰমশালী, প্ৰজ্ঞাময়।"। [ছুৰা আলে ইমৰান, আয়াত: ১৮]

তাওহীদৰ কলিমা, বা 'লা-ইলা-হা ইল্লাল্লাহ'ৰ আৰু ফজীলত কোৰআনে কাৰিমত বৰ্ণিত হৈছে যেনে আল্লাহ তা'আলাই ইয়াক সকলো নবীৰ দাৱাতৰ মূল আৰু তেওঁলোকৰ ৰিছালাতৰ সাৰাংশ বুলি কৈছে। তেওঁ কৈছে,

﴿وَمَآ أَرۡسَلۡنَا مِن قَبۡلِكَ مِن رَّسُولٍ إِلَّا نُوحِيٓ إِلَيۡهِ أَنَّهُۥ لَآ إِلَٰهَ إِلَّآ أَنَا۠ فَٱعۡبُدُونِ ٢٥﴾ [الانبياء: ٢٥]

“আৰু তোমাৰ পূৰ্বে আমি যি ৰাছুলেই প্ৰেৰণ কৰিছো, তাৰ প্ৰতি আমি এই নিৰ্দেশেই দিছো যে, ‘মোৰ বাহিৰে আন কোনো (সত্য) ইলাহ নাই’। এতেকে তোমালোকে মোৰেই ইবাদত কৰা”। [ছুৰা আল-আম্বিয়া, আয়াত: ২৫]

আন এটা আয়াতত তেওঁ কৈছে,

﴿وَلَقَدۡ بَعَثۡنَا فِي كُلِّ أُمَّةٖ رَّسُولًا أَنِ ٱعۡبُدُواْ ٱللَّهَ وَٱجۡتَنِبُواْ ٱلطَّٰغُوتَۖ ٣٦﴾ [النحل: ٣٦]

“আৰু আমি অৱশ্যেই প্ৰত্যেক জাতিতেই একোজনকৈ ৰাছুল প্ৰেৰণ কৰিছো যে, তোমালোকে আল্লাহৰ ইবাদত কৰা আৰু তাগুতক পৰিহাৰ কৰা”। [ছুৰা আন-নাহল, আয়াত: ৩৬]

ছুৰা আন-নাহলৰ আৰম্ভণিতেই আল্লাহ তা‘আলাই কৈছে,

﴿ يُنَزِّلُ ٱلۡمَلَٰٓئِكَةَ بِٱلرُّوحِ مِنۡ أَمۡرِهِۦ عَلَىٰ مَن يَشَآءُ مِنۡ عِبَادِهِۦٓ أَنۡ أَنذِرُوٓاْ أَنَّهُۥ لَآ إِلَٰهَ إِلَّآ أَنَا۠ فَٱتَّقُونِ ٢ ﴾ [النحل: ٢]

“তেওঁ নিজ বান্দাসকলৰ মাজত যাৰ প্ৰতি ইচ্ছা নিজ নিৰ্দেশত ৰূহ- অহীসহ ফিৰিস্তা- প্ৰেৰণ কৰি কয় যে, তোমালোকে সতৰ্ক কৰা, নিশ্চয় মোৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, এতেকে তোমালোকে কেৱল মোকেই ভয় কৰা।”। [ছুৰা আন-নাহল, আয়াত: ২]

এই ছুৰাৰ আৰম্ভণিতেই আল্লাহ তা‘আলাই নিজ বান্দাসকলৰ ওপৰত একাধিক নিয়ামতৰ কথা উল্লেখ কৰিছে, তাৰে মাজত আছে لَآ إِلَٰهَ إِلَّآ أَنَا۠ (অৰ্থাৎ মোৰ বাহিৰে আন কোনো ইলাহ নাই) সংবলিত আয়াত সৰ্বপ্ৰথম। ইয়াৰ পৰা

প্ৰতীয়মান হয় যে, তাওহীদৰ কলিমা ‘লা-ইলা-হা ইল্লাল্লাহ’ আটাইতকৈ ডাঙৰ নি‘আমত। এই নি‘আমতেই আল্লাহে নিজ বান্দাসকলৰ ওপৰত পূৰ্ণৰূপে দান কৰিছে, যেনে তেওঁ কৈছে:

﴿وَأَسْبَغَ عَلَيْكُمْ نِعَمَهُۥ ظَٰهِرَةً وَبَاطِنَةً ۗ ﴾ [لقمان: ٢٠]

“আৰু তোমালোকৰ প্ৰতি তেওঁৰ প্ৰকাশ্য আৰু অপ্ৰকাশ্য নি‘আমতসমূহ পূৰ্ণৰূপে প্ৰদান কৰিছে”। [ছুৰা লুকমান, আয়াত: ২০]

মুজাহিদ ৰাহিমাহুল্লাহে কৈছে, ইয়াত নি‘আমতৰ দ্বাৰা ‘লা-ইলাহা ইল্লাল্লাহ’ক বুজোৱা হৈছে।[1]

ছুফিয়ান ইবনে ‘উৱাইনাহ ৰাহিমাহুল্লাহে কৈছে, আল্লাহে তেওঁৰ কোনো বান্দাক এনেকুৱা কোনো নি‘আমত প্ৰদান কৰা নাই, যিটো ‘লা-ইলা-হা ইল্লাল্লাহ’ৰ অৰ্থ-জ্ঞানতকৈ ডাঙৰ”![2]

**লা-ইলাহা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে যে,** আল্লাহ তা‘আলাই এই কলিমাক কোৰআনুল কাৰীমত তায়্যিবাহ বা পৱিত্ৰ বুলি গুণান্বিত কৰিছে। যেনে, তেওঁ কৈছে,

﴿أَلَمْ تَرَ كَيْفَ ضَرَبَ ٱللَّهُ مَثَلًا كَلِمَةً طَيِّبَةً كَشَجَرَةٍ طَيِّبَةٍ أَصْلُهَا ثَابِتٌ وَفَرْعُهَا فِى ٱلسَّمَآءِ ﴿٢٤﴾ تُؤْتِىٓ أُكُلَهَا كُلَّ حِينٍۭ بِإِذْنِ رَبِّهَا ۗ وَيَضْرِبُ ٱللَّهُ ٱلْأَمْثَالَ لِلنَّاسِ لَعَلَّهُمْ يَتَذَكَّرُونَ ﴿٢٥﴾﴾ [ابراهيم: ٢٤، ٢٥]

---

[1] তাফছীৰে ইবনে কাছীৰ: (১১/৭৮)

[2] ‘কালিমাতুল ইখলাছ’ গ্ৰন্থত ইবনে ৰজবে উল্লেখ কৰিছে: (পৃ. ৫৩)

“তুমি দেখা নাইনে, আল্লাহে কেনেকৈ উদাহৰণ দাঙি ধৰিছে? কলিমা তাইয়্যিবাহ, যিটো এটা ভাল বৃক্ষৰ দৰে, যাৰ মূল সুস্থিৰ আৰু শাখা-প্ৰশাখা আকাশত। ই তাৰ ৰবৰ অনুমতিক্ৰমে সদায় ফল দান কৰে, আৰু আল্লাহে মানুহৰ বাবে নানা ধৰণৰ দৃষ্টান্ত প্ৰদান কৰে, যাতে সিহঁতে উপদেশ গ্ৰহণ কৰে”। [ছুৰা ইব্ৰাহীম, আয়াত: ২৪-২৫]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** আল্লাহ তা‘আলাই এই কলিমাক কোৰআনুল কাৰীমত সুদৃঢ় বাণী বুলি কৈছে। যেনে, তেওঁ কৈছে,

﴿يُثَبِّتُ ٱللَّهُ ٱلَّذِينَ ءَامَنُواْ بِٱلْقَوْلِ ٱلثَّابِتِ فِي ٱلْحَيَوٰةِ ٱلدُّنْيَا وَفِي ٱلْآخِرَةِۖ وَيُضِلُّ ٱللَّهُ ٱلظَّٰلِمِينَۚ وَيَفْعَلُ ٱللَّهُ مَا يَشَآءُ ٢٧﴾ [ابراهيم: ٢٧]

“আল্লাহে মুমিন বান্দাসকলক পৃথিৱীৰ জীৱনত আৰু আখিৰাতত সুদৃঢ় বাণীৰ দ্বাৰা অবিচল ৰাখে। লগতে আল্লাহে যালিমসকলক পথভ্ৰষ্ট কৰে আৰু আল্লাহে যি ইচ্ছা সেইটোৱেই কৰে”। [ছুৰা ইব্ৰাহীম, আয়াত: ২৭]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমাই হৈছে সেই আদি আৰু পুৰণি প্ৰতিশ্ৰুতি, যিটোৰ উল্লেখ আল্লাহ তা‘আলাই কোৰআনুল কাৰীমৰ এই আয়াতত কৰিছে:

﴿لَّا يَمْلِكُونَ ٱلشَّفَٰعَةَ إِلَّا مَنِ ٱتَّخَذَ عِندَ ٱلرَّحْمَٰنِ عَهْدًا ٨٧﴾ [مريم: ٨٧]

“যিসকলে ৰহমানৰ পৰা প্ৰতিশ্ৰুতি লৈছে তেওঁলোকৰ বাহিৰে আন কোনেও ছুপাৰিছ কৰাৰ ক্ষমতা নাৰাখিব”। [ছুৰা মাৰইয়াম, আয়াত: ৮৭]

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, “ইয়াত ‘আহদ’ বা প্ৰতিশ্ৰুতি অৰ্থ লা-ইলা-হা ইল্লাল্লাহৰ সাক্ষী প্ৰদান কৰা, আৰু সকলো শক্তি

আৰু সামৰ্থৰ ওপৰত ভৰসা ত্যাগ কৰি একমাত্ৰ আল্লাহৰ ওপৰত ভৰসা কৰা, এইটোৱেই সকলো তাক্বৱাৰ মূল”।[3]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা হৈছে মজবুত ৰছী, যিয়ে ইয়াক খামুচী ধৰিব সি নাজাত পাব, আৰু যিয়ে খামুচী নধৰিব সি ধ্বংস হ’ব। আল্লাহ তা‘আলাই কৈছে,

﴿فَمَن يَكۡفُرۡ بِٱلطَّٰغُوتِ وَيُؤۡمِنۢ بِٱللَّهِ فَقَدِ ٱسۡتَمۡسَكَ بِٱلۡعُرۡوَةِ ٱلۡوُثۡقَىٰ ٢٥٦﴾ [البقرة: ٢٥٦]

“এতেকে, যি ব্যক্তি তাগুতক অস্বীকাৰ কৰিলে আৰু আল্লাহৰ প্ৰতি ঈমান আনিলে, অৱশ্যাই সি মজবুত ৰছী খামুচী ধৰিলে, যিটো কেতিয়াও বিচ্ছিন্ন নহ’ব”। [ছুৰা আল-বাকাৰা, আয়াত: ২৫৬]

আন এটা আয়াতত তেওঁ কৈছে,

﴿وَمَن يُسۡلِمۡ وَجۡهَهُۥٓ إِلَى ٱللَّهِ وَهُوَ مُحۡسِنٞ فَقَدِ ٱسۡتَمۡسَكَ بِٱلۡعُرۡوَةِ ٱلۡوُثۡقَىٰۗ ٢٢﴾ [لقمان: ٢٢]

“আৰু যি ব্যক্তিয়ে একনিষ্ঠ আৰু বিশুদ্ধ চিত্তে আল্লাহৰ ওচৰত নিজকে সমৰ্পণ কৰে, নিশ্চয় সি এটা মজবুত ৰছী খামুচী ধৰে”। [ছুৰা লুকমান, আয়াত: ২২]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা চিৰযুগমীয়া বাক্য, যিটো ইব্ৰাহীম আলাইহিচ ছালামে তেওঁৰ পৰৱৰ্তী প্ৰজন্মৰ ভিতৰত ৰাখি গৈছে, যাতে সিহঁতে শ্বিৰ্কৰ পৰা উভতি আহে।

আল্লাহ তা‘আলাই কৈছে,

[3] তাবৰানী, আদ-দুআ: (৩/১৫১৮)

﴿وَإِذۡ قَالَ إِبۡرَٰهِيمُ لِأَبِيهِ وَقَوۡمِهِۦٓ إِنَّنِي بَرَآءٞ مِّمَّا تَعۡبُدُونَ ٢٦ إِلَّا ٱلَّذِي فَطَرَنِي فَإِنَّهُۥ سَيَهۡدِينِ ٢٧ وَجَعَلَهَا كَلِمَةَۢ بَاقِيَةٗ فِي عَقِبِهِۦ لَعَلَّهُمۡ يَرۡجِعُونَ ٢٨﴾ [الزخرف: ٢٦، ٢٨]

“আৰু স্মৰণ কৰা, যেতিয়া ইব্ৰাহীমে নিজ পিতৃ আৰু তেওঁৰ সম্প্ৰদায়ক কৈছিল, ‘তোমালোকে যিবোৰৰ ইবাদত কৰা, নিশ্চয় মই সিহঁতৰ পৰা সম্পৰ্কমুক্ত, কিন্তু (তেওঁৰ বাহিৰে) যিজনে মোক সৃষ্টি কৰিছে। এতেকে নিশ্চয় তেওঁ মোক শীঘ্ৰে হিদায়ত দিব। আৰু ইয়াক তেওঁ তেওঁৰ পৰৱৰ্তী লোকসকলৰ মাজত এটা চিৰন্তন বাণী হিচাপে ৰাখি থৈ গ’ল, যাতে সিহঁতে প্ৰত্যাবৰ্তন কৰিব পাৰে”। [ছুৰা আয-যুখৰুফ, আয়াত: ২৬-২৮]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এইটো তাক্বৱাৰ কলিমা। মুহাম্মাদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছাহাবীসকলৰ ওপৰত এই কলিমাই আল্লাহে অৱধাৰিত কৰিছিল, তেওঁলোকেই ইয়াৰ অধিক হকদাৰ আৰু উপযুক্ত আছিল, আল্লাহ তাআলাই কৈছে,

﴿إِذۡ جَعَلَ ٱلَّذِينَ كَفَرُواْ فِي قُلُوبِهِمُ ٱلۡحَمِيَّةَ حَمِيَّةَ ٱلۡجَٰهِلِيَّةِ فَأَنزَلَ ٱللَّهُ سَكِينَتَهُۥ عَلَىٰ رَسُولِهِۦ وَعَلَى ٱلۡمُؤۡمِنِينَ وَأَلۡزَمَهُمۡ كَلِمَةَ ٱلتَّقۡوَىٰ وَكَانُوٓاْ أَحَقَّ بِهَا وَأَهۡلَهَاۚ وَكَانَ ٱللَّهُ بِكُلِّ شَيۡءٍ عَلِيمٗا ٢٦﴾ [الفتح: ٢٦]

“যেতিয়া কাফিৰসকলে সিহঁতৰ অন্তৰত আত্ম-অহমিকা পোষণ কৰিছিল, জাহিলী যুগৰ অহমিকা। তেতিয়া আল্লাহে তেওঁৰ ৰাছুল আৰু মুমিনসকলৰ ওপৰত তেওঁৰ প্ৰশান্তি নাযিল কৰিলে আৰু তাক্বৱাৰ বাণী সিহঁতৰ বাবে অপৰিহাৰ্য কৰিলে, আৰু তেওঁলোকেই আছিল ইয়াৰ সৰ্বাধিক উপযুক্ত আৰু ইয়াৰ অধিকাৰী। আৰু আল্লাহ হৈছে প্ৰত্যেক বিষয়ত সৰ্বজ্ঞ”। [ছুৰা আল-ফাতহ, আয়াত: ২৬]

আবু ইছহাক ছুবাই'য়ে বৰ্ণনা কৰিছে, আমৰ ইবন মায়মুনে কৈছে: "মানুহে লা-ইলা-হা ইল্লাল্লাহৰ পৰা উত্তম আন কোনো বাক্য উচ্চাৰণ কৰা নাই। ছা'দ ইবন ইয়াজে কৈছে, হে আবু আব্দিল্লাহ, এই কলিমা কি জানানে? আল্লাহৰ শপত, এইটোৱেই তাক্বৱাৰ কলিমা, মুহাম্মাদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছাহাবীসকলৰ ওপৰত আল্লাহে যিটো আৱশ্যক কৰি দিছে, প্ৰকৃততে তেওঁলোকেই ইয়াৰ বেছি হকদাৰ আৰু উপযুক্ত আছিল"।[4]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা চিৰ সত্য আৰু চূড়ান্ত বাস্তৱ কথা। আল্লাহ তা'আলাই কৈছে,

﴿يَوۡمَ يَقُومُ ٱلرُّوحُ وَٱلۡمَلَٰٓئِكَةُ صَفّٗاۖ لَّا يَتَكَلَّمُونَ إِلَّا مَنۡ أَذِنَ لَهُ ٱلرَّحۡمَٰنُ وَقَالَ صَوَابٗا ٣٨﴾

[النبا: ٣٨]

"সিদিনা ৰূহ আৰু ফিৰিস্তাসকলে শাৰিবদ্ধভাৱে থিয় দিব, যাক পৰম কৰুণাময়ে অনুমতি দিব তাৰ বাহিৰে আন কোনেও কথা নক'ব, আৰু তেওঁ ঠিক কথাই ক'ব"। [ছুৰা আন-নাবা, আয়াত: ৩৮]

আলি ইবনু আবি তালহা ছাহাবী ইবনু আব্বাছ ৰাদিয়াল্লাহু 'আনহুমাৰ পৰা আল্লাহ তা'আলাৰ বাণী: إِلَّا مَنۡ أَذِنَ لَهُ ٱلرَّحۡمَٰنُ وَقَالَ صَوَابٗا প্ৰসঙ্গত কৈছে, "এতেকে আল্লাহে যাক লা-ইলা-হা ইল্লাল্লাহৰ সাক্ষী দিবলৈ ক'ব, একমাত্ৰ তেৱেঁই কথা ক'ব। এইটোৱেই চূড়ান্ত আৰু সৰ্বশেষ সত্য-কথা"।[5]

---

[4] তাবৰানী, ফিদ দুআ: (৩/১৫৩৩)

[5] তাবৰানী, ফিদ দুআ: (৩/১৫২০)

ইকৰিমা ৰাহিমাহুল্লাহে কৈছে, "চূড়ান্ত সত্য হৈছে: লা-ইলা-হা ইল্লাল্লাহ"।[6]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা হৈছে সত্যৰ আহ্বান, তলৰ বাণীত আল্লাহ তা'আলাই সত্যৰ দাৱাত বুলি ইয়াকেই উদ্দেশ্য কৰিছে:

﴿لَهُۥ دَعۡوَةُ ٱلۡحَقِّۚ وَٱلَّذِينَ يَدۡعُونَ مِن دُونِهِۦ لَا يَسۡتَجِيبُونَ لَهُم بِشَيۡءٍ إِلَّا كَبَٰسِطِ كَفَّيۡهِ إِلَى ٱلۡمَآءِ لِيَبۡلُغَ فَاهُ وَمَا هُوَ بِبَٰلِغِهِۦۚ وَمَا دُعَآءُ ٱلۡكَٰفِرِينَ إِلَّا فِي ضَلَٰلٖ ١٤﴾ [الرعد: ١٤]

"সত্যৰ আহ্বান তেওঁৰেই, আৰু যিসকলে তেওঁৰ বাহিৰে আনক মাতে, সিহঁতে সিহঁতৰ আহ্বানত অকনো সঁহাৰী দিব নোৱাৰে, বৰং (সিহঁতৰ দৃষ্টান্ত) সেই ব্যক্তিৰ দৰে, যিয়ে পানীৰ ফালে নিজৰ দুহাত বঢ়াই দিয়ে যাতে তাৰ মুখলৈ ঢুকি পায় অথচ তাৰ ওচৰত সেয়া কেতিয়াও ঢুকি নাপাব, আৰু কাফিৰসকলৰ আহ্বান কেৱল ভ্ৰষ্টতাতহে পৰ্যবসিত হয়"। [ছুৰা আৰ-ৰা'দ, আয়াত: ১৪]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা সত্যৰ বন্ধন, ইয়াৰ ভিত্তিতেই ইছলামৰ অনুসাৰীসকল এটা শাৰীত ঐক্যবদ্ধ হয়। এই কলিমা সিহঁতৰ ওচৰত বন্ধুত্ব আৰু শত্ৰুতা আৰু মুহাব্বত ও বিদ্বেষৰ মানদণ্ড। এই কলিমাৰ কাৰণেই মুছলিম উম্মাহ এটা শৰীৰ আৰু সীহ-গলিত প্ৰাচীৰৰ দৰে, যাৰ এটা অংশই আন এটা অংশৰ দ্বাৰা শক্তিশালী হয়। শ্বাইখ মুহাম্মাদ আমিন শ্বানকিতী ৰাহিমাহুল্লাহে (আজৱাউল বায়ান) গ্ৰন্থত কৈছে, "মূল কথা হৈছে যে: মুছলিম উম্মাহৰ প্ৰকৃত বন্ধন, যিটো বিভিন্ন প্ৰকাৰৰ মানুহক এক কৰে আৰু বিভিন্ন জাতিৰ মাজত মুহাব্বত সৃষ্টি কৰে, সেইটো হৈছে লা-ইলা-হা ইল্লাল্লাহৰ বন্ধন। আপুনি লক্ষ্য কৰা নাইনে, এই কলিমাই মুছলিম উম্মাহক এটা শৰীৰ

[6] তাবৰানী, ফিদ দুআ: (৩/১৫২০)

আৰু এটা দেৱালৰ দৰে কৰি দিছে, যাৰ এটা অংশই আন এটা অংশক শক্তিশালী কৰে। এই কলিমা আকাশৰ ধাৰক আৰু ইয়াৰ ওচৰে পাজৰে অৱস্থানকাৰী ফিৰিস্তাসকলৰ অন্তৰসমূহক পৃথিৱীত বসবাসকাৰী আদম সন্তানৰ ওপৰত হিতাকাঙ্ক্ষী কৰি দিছে, অথচ আকাশ আৰু পৃথিৱীৰ দূৰত্ব বহুত, এইবোৰ আপুনি ভাৱি চোৱা নাইনে?!

আল্লাহ তা'আলাই কৈছে,

﴿ٱلَّذِينَ يَحۡمِلُونَ ٱلۡعَرۡشَ وَمَنۡ حَوۡلَهُۥ يُسَبِّحُونَ بِحَمۡدِ رَبِّهِمۡ وَيُؤۡمِنُونَ بِهِۦ وَيَسۡتَغۡفِرُونَ لِلَّذِينَ ءَامَنُواْۖ رَبَّنَا وَسِعۡتَ كُلَّ شَيۡءٖ رَّحۡمَةٗ وَعِلۡمٗا فَٱغۡفِرۡ لِلَّذِينَ تَابُواْ وَٱتَّبَعُواْ سَبِيلَكَ وَقِهِمۡ عَذَابَ ٱلۡجَحِيمِ ۝٧ رَبَّنَا وَأَدۡخِلۡهُمۡ جَنَّٰتِ عَدۡنٍ ٱلَّتِي وَعَدتَّهُمۡ وَمَن صَلَحَ مِنۡ ءَابَآئِهِمۡ وَأَزۡوَٰجِهِمۡ وَذُرِّيَّٰتِهِمۡۚ إِنَّكَ أَنتَ ٱلۡعَزِيزُ ٱلۡحَكِيمُ ۝٨ وَقِهِمُ ٱلسَّيِّـَٔاتِۚ وَمَن تَقِ ٱلسَّيِّـَٔاتِ يَوۡمَئِذٖ فَقَدۡ رَحِمۡتَهُۥۚ وَذَٰلِكَ هُوَ ٱلۡفَوۡزُ ٱلۡعَظِيمُ ۝٩﴾ [غافر: ٧، ٩]

“সিংহাসন বহনকাৰী ফিৰিস্তা আৰু যিসকলে ইয়াৰ চাৰিওফালে উপস্থিত থাকে এই সকলোৱেই তেওঁলোকৰ প্ৰতিপালকৰ পৱিত্ৰতা আৰু গুণানুকীৰ্ত্তন কৰে আৰু তেওঁৰ প্ৰতি ঈমান ৰাখে, আৰু মুমিনসকলৰ বাবে ক্ষমা বিচাৰি কয়, ‘হে আমাৰ ৰব, তোমাৰ ৰহমত আৰু জ্ঞানে সকলো বস্তুকে আৱৰী আছে। এতেকে, যিসকলে তাওবা কৰে আৰু তোমাৰ পথ অনুসৰণ কৰে তুমি সিহঁতক ক্ষমা কৰি দিয়া। আৰু জাহান্নামৰ শাস্তিৰ পৰা তুমি সিহঁতক ৰক্ষা কৰা। হে আমাৰ ৰব! তেওঁলোকক চিৰস্থায়ী জান্নাতত প্ৰৱেশ কৰোৱা যাৰ প্ৰতিশ্ৰুতি তুমি তেওঁলোকক দিছিলা আৰু তেওঁলোকৰ পিতৃ-মাতৃ, পত্নী আৰু সন্তান-সন্ততিসকলৰ যিসকলে সৎকৰ্ম কৰে। নিশ্চয় তুমিয়েই নিৰংকুশ শক্তিমান, প্ৰজ্ঞাময়”। [ছুৰা গাফিৰ, আয়াত: ৭-৯]

এই আয়াতত আল্লাহ তা'আলাই ইঙ্গিত কৰিছে যে, আৰশ্ব সিংহাসন বহনকাৰী আৰু যিসকলে ইয়াৰ চাৰিওফালে উপস্থিত থাকে তেওঁলোকৰ মাজত আৰু পৃথিৱীত থকা আদম সন্তানৰ মাজত সেতুবন্ধন হিচাপে কাম কৰিছে আল্লাহৰ প্ৰতি ঈমানে, সেই কাৰণে তেওঁলোকে পৃথিৱীবাসীৰ বাবে মহান আৰু কল্যাণময় দুআ কৰিছে"।

তাৰ পিছত শ্বানকিতী ৰাহিমাহুল্লাহে কৈছে, "মূল কথা হৈছে: ইয়াত কোনো মুছলিমৰ দ্বিমত নাই যে, পৃথিৱীবাসীৰ পৰস্পৰ সেতুবন্ধন আৰু আকাশ ও পৃথিৱীত অৱস্থানকাৰীসকলৰ সেতুবন্ধন এক আৰু অভিন্ন কলিমা: 'লা-ইলা-হা ইল্লাল্লাহ। এতেকে এই কলিমাৰ বাহিৰে দ্বিতীয় কোনো বস্তুক (যেনে বংশ, ভাষা, স্থান, দেশ আৰু মতবাদ তথা গণতন্ত্ৰ, সমাজতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা আৰু জাতীয়তাবাদ ইত্যাদিক) সেতুবন্ধন বনাই তাৰ ফালে আহ্বান কৰা অথবা তাৰ আদৰ্শত ঐক্যবদ্ধ হোৱা বৈধ নহয়"।[7]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা আটাইতকৈ ডাঙৰ নেকী বা হাছানাহ। আল্লাহ তা'আলাই কৈছে,

﴿مَن جَآءَ بِٱلۡحَسَنَةِ فَلَهُۥ خَيۡرٞ مِّنۡهَاۖ ٨٤﴾ [القصص: ٨٤]

"কোনোবাই হাছানাহ লৈ আহিলে তাৰ বাবে থাকিব তাতোকৈ উত্তম প্ৰতিদান"। [ছুৰা আল-কাচাচ, আয়াত: ৮৪]

[7] আজৱাউল বায়ান: (৩/৪৪৭) আৰু (৩/৪৪৮)

ইবনে মাছউদ, ইবনে আব্বাছ আৰু আবু হুৰাইৰা ৰাদিয়াল্লাহু ‘আনহুমৰ পৰা বৰ্ণিত, এই আয়াতত হাছানাৰ অৰ্থ: ‘লা-ইলা-হা ইল্লাল্লাহ’।[8]

ইকৰিমাহ ৰাহিমাহুল্লাহে আল্লাহৰ এই বাণী ﴿مَن جَآءَ بِٱلۡحَسَنَةِ فَلَهُۥ خَيۡرٞ مِّنۡهَاۖ﴾ প্ৰসঙ্গত কৈছে, অৰ্থাৎ যিয়ে ‘লা-ইলা-হা ইল্লাল্লাহ’ লৈ আহিব, সি তাৰ কল্যাণ অৰ্জন কৰিব, কাৰণ লা-ইলা-হা ইল্লাল্লাহৰ বাহিৰে উত্তম আন কোনো কল্যাণ নাই।[9]

মুছনাদে আহমদ আৰু অন্যান্য গ্ৰন্থত আহিছে, আবু যৰ ৰাদিয়াল্লাহু আনহুৱে কৈছে, “মই ক’লো, হে আল্লাহৰ ৰাছুল! মোক এটা আমল শিক্ষা দিয়ক, যিটোৱে মোক জান্নাতৰ ওচৰত আৰু জাহান্নামৰ পৰা দূৰত ৰাখিব, তেওঁ ক’লে: “তোমাৰ দ্বাৰা যেতিয়াই কিবা এটা বেয়া কাম হৈ যায়, তাৰ বিপৰীতে সদায় এটা ভাল আমল কৰিবা। কাৰণ, প্ৰত্যেক ভাল কৰ্ম তাৰ দহগুণ”। মই ক’লো, হে আল্লাহৰ ৰাছুল, লা-ইলা-হা ইল্লাল্লাহ হাছানাহ বা নেকীৰ অন্তৰ্ভূক্ত নে? তেখেতে ক’লে: “হয়, আটাইতকৈ ডাঙৰ হাছানাহ এইটোৱেই”।[10]

---

[8] আদ-দুআ লিত তাবৰানী: (৩/১৪৯৭,১৪৯৮)

[9] ইবনুল বান্না ৰচিত: ‘ফাজলুত তাহলীল ওৱা ছাৱাবুহুল জালীল’: (পৃ. ৭৪)

[10] আল-মুছনাদ: (৫/১৬৯); আদ-দুআ লিত-তাবৰানী: (১৪৯৮)

## হাদীছৰ পৰা কলিমাৰ অন্যান্য ফজীলত

ইয়াৰ আগত আমি কোৰআনুল কাৰীমৰ আলোকত তাওহীদৰ কলিমা লা-ইলা-হা ইল্লাল্লাহৰ ফজীলত সম্পৰ্কে আলোচনা কৰিছো। কাৰণ, এইটোৱেই সেই মহান কলিমা, যাৰ বাবে অস্তিত্বত আহিছে আকাশ আৰু পৃথিৱী; সৃষ্টি কৰা হৈছে সকলো মখলুক আৰু প্ৰেৰিত হৈছে ৰাছুলসকল। এই কলিমা প্ৰতিষ্ঠা কৰাৰ বাবেই চৰীয়ত প্ৰদান কৰা হৈছে আৰু কিতাব অৱতীৰ্ণ কৰা হৈছে। আকৌ এই কলিমাৰ বাবেই তুলাচনী স্থাপন কৰা হৈছে, হিচাপ-নিকাচৰ বাবে খাতা খোলা হৈছে আৰু জান্নাত ও জাহান্নামৰ বজাৰ বহিব। মানুহ মুমিন আৰু কাফিৰ, নেককাৰ আৰু বদকাৰ দু'ভাগত বিভক্ত এই কলিমাৰ বাবেই। আল্লাহৰ সৃষ্টি আৰু আদেশ, ছোৱাব আৰু শাস্তিৰ মূল ৰহস্য এই কলিমাই। এইটো সেই সত্য বাণী, যাৰ ওপৰত দ্বীন প্ৰতিষ্ঠিত আৰু কিবলা নিৰ্ধাৰিত। কিয়ামতৰ দিনা পূৰ্বৱৰ্তী আৰু পৰবৰ্তী সকলোকে এই কলিমা সম্পৰ্কে প্ৰশ্ন কৰা হ'ব।

বান্দাৰ ভৰি আল্লাহৰ সন্মুখৰ পৰা অলপো আগ নাবাঢ়িব, যেতিয়া লৈকে তাক দুটা বিষয়ে প্ৰশ্ন কৰা নহ'ব:

১. তোমালোকে কাৰ ইবাদত কৰিছা?

২. আৰু ৰাছুলসকলক কি উত্তৰ দিছিলা?

**প্ৰথম প্ৰশ্নৰ উত্তৰ:** লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ জনা, তাৰ স্বীকৃতি প্ৰদান কৰা আৰু তাৰ ওপৰত আমল কৰি কলিমা বাস্তবায়ন কৰা।

**দ্বিতীয় প্ৰশ্নৰ উত্তৰ:** মুহাম্মাদুৰ ৰাছুলুল্লাৰ অৰ্থ জনা, তেওঁক আল্লাহৰ ৰাছুল হিচাপে স্বীকাৰ কৰা, তেওঁৰ বশ্যতা মানি লোৱা আৰু তেওঁৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি তেওঁৰ ৰিছালত বাস্তবায়ন কৰা।[11]

এই কথাত কোনো সন্দেহ নাই যে, লা-ইলা-হা ইল্লাল্লাহৰ ফজীলত গণনা কৰি শেষ কৰা কাৰো পক্ষে সম্ভৱ নহয়, কাৰণ তাৰ ওপৰত নিৰ্ভৰ কৰে পৃথিৱী আৰু আখিৰাতৰ সফলতা, প্ৰতিদান আৰু ছোৱাব, সেয়ে ইয়াৰ সকলো অৰ্থ কাৰোবাৰ অন্তৰত উদয় হোৱা বা কল্পনাত অহা সম্ভৱ নহয়। ইয়াত মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ হাদীছৰ পৰা কেইটামান ফজীলত লিপিবদ্ধ কৰাৰ চেষ্টা কৰিম।

**লা-ইলা-হা ইল্লাল্লাহৰ ফজীলত:** এই কলিমাৰ আমল সৰ্বোত্তম, ইয়াৰ ছোৱাব বহুত বেছি আৰু একাধিক গোলাম আজাদ কৰাৰ সমান। এই কলিমা তাৰ পাঠকাৰীৰ বাবে চয়তানৰ পৰা ঢালস্বৰূপ হয়। যেনে, আবু হুৰাইৰা ৰাদিয়াল্লাহু ‘আনহুৰ পৰা ইমাম বুখাৰী আৰু মুছলিমে বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ قَالَ: لاَ إِلَهَ إِلَّا اللَّهُ، وَحْدَهُ لاَ شَرِيكَ لَهُ، لَهُ المُلْكُ وَلَهُ الحَمْدُ، وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ، فِي يَوْمٍ مِائَةَ مَرَّةٍ، كَانَتْ لَهُ عَدْلَ عَشْرِ رِقَابٍ، وَكُتِبَتْ لَهُ مِائَةُ حَسَنَةٍ، وَمُحِيَتْ عَنْهُ مِائَةُ سَيِّئَةٍ، وَكَانَتْ لَهُ حِرْزًا مِنَ الشَّيْطَانِ يَوْمَهُ ذَلِكَ حَتَّى يُمْسِيَ، وَلَمْ يَأْتِ أَحَدٌ بِأَفْضَلَ مِمَّا جَاءَ بِهِ، إِلَّا أَحَدٌ عَمِلَ أَكْثَرَ مِنْ ذَلِكَ»

“যি ব্যক্তিয়ে প্ৰতিদিন এশ বাৰ এই দুআ পাঠ কৰিব: «لاَ إِلَهَ إِلَّا اللَّهُ، وَحْدَهُ لاَ شَرِيكَ لَهُ، لَهُ المُلْكُ وَلَهُ الحَمْدُ، وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ» (অৰ্থ: আল্লাহৰ বাহিৰে আন

[11] যাদুল মা‘আদ: (১/৩৪)

কোনো সত্য ইলাহ নাই, তেওঁ একক তেওঁৰ কোনো অংশীদাৰ নাই, তেওঁৰ বাবেই সকলো ৰাজত্ব আৰু তেৱেঁই সকলো প্ৰশংসাৰ মালিক, আৰু তেৱেঁই সকলো বস্তুৰ ওপৰত ক্ষমতাবান) এইটো তাৰ বাবে দহটা দাস আযাদ কৰাৰ সমান হ'ব, তাৰ আমলনামাত এশ টা নেকী লিখা হ'ব আৰু তাৰ আমলনামাৰ পৰা এশ টা পাপ মোচন কৰা হ'ব। এই কলিমা সেই দিনা তাৰ বাবে চয়তানৰ পৰা ঢালস্বৰূপ হ'ব, যেতিয়া লৈকে সি সন্ধ্যাত উপনীত নহয়। আৰু সি যিটো লৈ উপস্থিত হ'ব তাতকৈ উত্তম বস্তু লৈ আন কোনোৱে উপস্থিত নহ'ব, কিন্তু যিয়ে এই কলিমা আটাইতকৈ বেছি পাঠ কৰিব তাৰ বাহিৰে"।[12]

ইমাম বুখাৰী আৰু মুছলিম ৰাহিমাহুল্লাহে ছাহাবী আবু আইয়্যুব আনছাৰী ৰাদিয়াল্লাহু 'আনহুৰ সূত্ৰত বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ قَالَهَا عَشْرَ مِرَّاتٍ كَانَ كَمَنْ أَعْتَقَ أَرْبَعَةَ أَنْفُسٍ مِنْ وَلَدِ إِسْمَاعِيلَ»

"যি ব্যক্তি উক্ত দুআ দহবাৰ পাঠ কৰিব, সি যেনিবা ইছমাঈলৰ বংশধৰৰ পৰা চাৰিজন ব্যক্তিক মুক্ত কৰিলে"।[13]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** নবীসকলে যিমান অযীফা পাঠ কৰিছে তাৰ মাজত আটাইতকৈ উত্তম অযীফা হৈছে এই কলিমা। আলী ৰাদিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

---

[12] ছহীহ বুখাৰী, হাদীছ নং ৬৪০৩; ছহীহ মুছলিম, হাদীছ নং ২৬৯১

[13] ছহীহ বুখাৰী, হাদীছ নং ৬৪০৪; ছহীহ মুছলিম, হাদীছ নং ২৬৯৩

“আৰাফাতৰ সন্ধিয়া মই আৰু মোৰ পূৰ্বে নবীসকলে যি কৈছে, তাৰ মাজত সৰ্বোত্তম হৈছে[14]:

«لا إِلَهَ إِلا اللَّهُ وَحْدَهُ، لا شَرِيكَ لَهُ، لَهُ الْمُلْكُ وَلَهُ الْحَمْدُ، وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ»

অৰ্থ: আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক তেওঁৰ কোনো অংশীদাৰ নাই, তেওঁৰ বাবেই সকলো ৰাজত্ব আৰু তেৰেঁই সকলো প্ৰশংসাৰ মালিক, আৰু তেৰেঁই সকলো বস্তুৰ ওপৰত ক্ষমতাবান।

আন এটা বৰ্ণনাত আহিছে: সৰ্বোত্তম দুআ ‘আৰাফাতৰ দিনৰ দুআ। মই আৰু মোৰ পূৰ্বে নবীসকলে যি কৈছে, তাৰ মাজত সৰ্বোত্তম হৈছে:[15]

«لَا إِلَهَ إِلَّا اللَّهُ وَحْدَهُ لَا شَرِيكَ لَهُ، لَهُ الْمُلْكُ، وَلَهُ الْحَمْدُ، وَهُوَ عَلَى كُلِّ شَيْءٍ قَدِيرٌ»

অৰ্থ: আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই, তেওঁ একক তেওঁৰ কোনো অংশীদাৰ নাই, তেওঁৰ বাবেই সকলো ৰাজত্ব আৰু তেৰেঁই সকলো প্ৰশংসাৰ মালিক, আৰু তেৰেঁই সকলো বস্তুৰ ওপৰত ক্ষমতাবান।

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে**: কিয়ামতৰ দিনা এইটো গুণাহৰ বহীৰ বিপৰীতে গধুৰ হৈ ঢলি পৰিব। যেনে, আব্দুল্লাহ ইবনে আমৰ ইবনুল ‘আচ ৰাদিয়াল্লাহু ‘আনহুৰ হাদীছত আহিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«يُصَاحُ بِرَجُلٍ مِنْ أُمَّتِي عَلَى رُءُوسِ الْخَلَائِقِ يَوْمَ الْقِيَامَةِ، فَيُنْشَرُ لَهُ تِسْعَةٌ وَتِسْعُونَ سِجِلا، كُلُّ سِجِلٍّ مِنْهَا مَدَّ الْبَصَرِ، ثُمَّ يَقُولُ اللَّهُ عز وجل لَهُ: " أَتُنْكِرُ مِنْ هَذَا شَيْئًا؟ " فَيَقُولُ: لا يَا رَبِّ،

[14] তাবৰানী, আদ-দুআ: (৮৭৪)

[15] তিৰমিজী, হাদীছ নং ৩৫৮৫; ছিলছিলাহ ছহীহাহ: (৪/৭,৮)

فَيَقُولُ عز وجل: أَلَكَ عُذْرٌ أَوْ حَسَنَةٌ؟" فَيَهَابُ الرَّجُلُ، فَيَقُولُ: لا يَا رَبِّ، فَيَقُولُ عز وجل: بَلَى إِنَّ لَكَ عِنْدَنَا حَسَنَةً، وَإِنَّهُ لا ظُلْمَ عَلَيْكَ "، فَتُخْرَجُ لَهُ بِطَاقَةٌ فِيهَا: أَشْهَدُ أَنْ لا إِلَهَ إِلا اللَّهُ وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ، فَيَقُولُ: يَا رَبِّ مَا هَذِهِ الْبِطَاقَةُ مَعَ هَذِهِ السِّجِلاتِ؟ فَيَقُولُ: إِنَّكَ لا تُظْلَمُ ".قَالَ: فَتُوضَعُ السِّجِلاتُ فِي كِفَّةٍ وَالْبِطَاقَةُ فِي كِفَّةٍ، فَطَاشَتِ السِّجِلاتُ وَثَقُلَتِ الْبِطَاقَةُ»

“কিয়ামতৰ দিনা সকলো মানুহৰ সান্মুখত মোৰ উম্মতৰ পৰা এজন ব্যক্তিক চিঞঁৰি চিঞঁৰি মাতা হ’ব, তাৰ পিছত তাৰ নিৰানব্বইটা বহী পেচ কৰা হ’ব, প্ৰত্যেক বহীৰ দৈৰ্ঘ্য হ’ব চকুৰ দৃষ্টি সমপৰিমাণ, তাৰ পিছত আল্লাহ তা‘আলাই ক’ব: এইবোৰৰ পৰা তুমি কিবা অস্বীকাৰ কৰা নে? সি ক’ব: নহয়, হে মোৰ ৰব। আল্লাহে ক’ব: তোমাৰ কোনো অজুহাত অথবা কোনো নেকী আছে নেকি? ব্যক্তিজনে ভয় পাই যাব আৰু ক’ব, হে মোৰ ৰব! নহয়, কোনো নেকী নাই। আল্লাহে ক’ব: অৱশ্যই, আমাৰ ওচৰত তোমাৰ এটা নেকী আছে, আৰু নিশ্চিত থাকা তোমাৰ ওপৰত কোনো অন্যায় কৰা নহ’ব, ইয়াৰ পিছত এটা কাৰ্ড পেচ কৰা হ’ব, য’ত থাকিব:

«أَشْهَدُ أَنْ لا إِلَهَ إِلا اللَّهُ وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ»

ব্যক্তিজনে ক’ব: হে মোৰ ৰব! এইবোৰ বহীৰ বিপৰীতে এই কাৰ্ডৰ মূল্য কি? আল্লাহে ক’ব: তোমাৰ কোনো অন্যায় কৰা নহ’ব। তেখেত (চাল্লাল্লাহু আলাইহি অছাল্লামে) কৈছে, তাৰ পিছত সকলো বহী এটা পাল্লাত আৰু কাৰ্ডখন আন

এটা পাল্লাত ৰখা হ’ব, তেতিয়া বহীসমূহ ওপৰলৈ উঠি যাব আৰু কলিমাৰ কার্ড গধুৰ হৈ ঢলি পৰিব”।[16]

ইয়াত কোনো সন্দেহ নাই যে, উক্ত ব্যক্তিয়ে অন্তৰৰ অন্তঃস্থলৰ পৰা ‘লা-ইলা-হা ইল্লাল্লাহ’ কৈছিল, সেই বাবেই তাৰ কাৰ্ডখন সকলো বহীক পাতল কৰি নিজেই গধুৰ হৈ ঢলি পৰিছে। কাৰণ মানুহৰ অন্তৰত থকা ঈমানৰ পাৰ্থক্যৰ ফলত আমলো পাৰ্থক্য হয়, অন্যথা সেই মৈদামত এনেকুৱা বহুতো লোক থাকিব, যিসকলে ‘লা-ইলা-হা ইল্লাল্লাহ’ কৈছে, কিন্তু তাৰ দৰে সিহঁতৰ ছোৱাব হাচিল নহ’ব। কাৰণ, সিহঁতৰ অন্তৰত কলিমাৰ ঈমান দুৰ্বল আছিল। ইমাম বুখাৰী আৰু মুছলিম ৰাহিমাহুল্লাহে আনাছ ইবনে মালিক ৰাদিয়াল্লাহু ‘আনহুৰ সূত্ৰত বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«يَخْرُجُ مِنَ النَّارِ مَنْ قَالَ لَا إِلَهَ إِلَّا اللَّهُ وَفِي قَلْبِهِ وَزْنُ شَعِيرَةٍ مِنْ خَيْرٍ، وَيَخْرُجُ مِنَ النَّارِ مَنْ قَالَ لَا إِلَهَ إِلَّا اللَّهُ وَفِي قَلْبِهِ وَزْنُ بُرَّةٍ مِنْ خَيْرٍ، وَيَخْرُجُ مِنَ النَّارِ مَنْ قَالَ لَا إِلَهَ إِلَّا اللَّهُ وَفِي قَلْبِهِ وَزْنُ ذَرَّةٍ مِنْ خَيْرٍ»

“যিয়ে লা ইলা-হা ইল্লাল্লাহ কৈছে আৰু তাৰ অন্তৰত যৱৰ ওজন পৰিমাণ কল্যাণ আছে সি জাহান্নামৰ পৰা বাহিৰ হ’ব। জাহান্নামৰ পৰা সেই ব্যক্তিকো বাহিৰ কৰা হ’ব, যিয়ে লা ইলা-হা ইল্লাল্লাহ কৈছে আৰু তাৰ অন্তৰত ঘেঁহু পৰিমাণ কল্যাণ আছে। লগতে জাহান্নামৰ পৰা সেই ব্যক্তিও বাহিৰ হ’ব, যিয়ে লা ইলা-হা ইল্লাল্লাহ কৈছে আৰু তাৰ অন্তৰত অণু পৰিমাণ ঈমান আছে”।[17]

---

[16] আল-মুছনাদ: (২/২১৩); তিৰমিজী, হাদীছ নং ২৬৩৯; ইবনে মাজাহ, হাদীছ নং ৪৩০০; ছহীহ আল-জামে‘, হাদীছ নং ৮০৯৫

[17] ছহীহ বুখাৰী, হাদীছ নং 44; ছহীহ মুছলিম, হাদীছ নং ১৯৩, ৩২৫

ইয়াৰ পৰা সাব্যস্ত হয় যে, 'লা-ইলা-হা ইল্লাল্লাহ' কোৱা সকলোৱেই সমান নহয়, সমানভাৱে সকলোৱে ঈমান ধাৰণ কৰা নাই।

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** যদি আকাশ আৰু পৃথিৱীক এই কলিমাৰ বিপৰীতে ওজন কৰা হয়, তথাপিও ইয়াৰ ওজন বেছি হ'ব। যেনে, আব্দুল্লাহ ইবনে আমৰ ৰাদিয়াল্লাহু 'আনহুৱে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰিছে,

«أَنَّ نُوحًا قَالَ لِابْنِهِ عند موته: آمُرُكَ بِلَا إِلَهَ إِلَّا اللَّهُ، فَإِنَّ السَّمَوَاتِ السَّبْعَ، وَالْأَرْضِينَ السَّبْعَ، لَوْ وُضِعَتْ فِي كِفَّةٍ، وَوُضِعَتْ لَا إِلَهَ إِلَّا اللَّهُ فِي كِفَّةٍ، رَجَحَتْ بِهِنَّ لَا إِلَهَ إِلَّا اللَّهُ، وَلَوْ أَنَّ السَّمَوَاتِ السَّبْعَ كُنَّ حَلْقَةً مُبْهَمَةً، لَقَصَمَتْهُنَّ لَا إِلَهَ إِلَّا اللَّهُ»

"নূহ আলাহিচ ছালামে মৃত্যুৰ সময়ত নিজ সন্তানক কৈছিল: মই তোমাক লা-ইলা-হা ইল্লাল্লাহৰ নিৰ্দেশ দিওঁ। কাৰণ, যদি সাতো আকাশ আৰু সাতো জমিন এটা পাল্লাত ৰখা হয় আৰু লা-ইলা-হা ইল্লাল্লাহক আন এটা পাল্লাত ৰখা হয়, তথাপিও লা-ইলা-হা ইল্লাল্লাহৰ ওজন ইয়াৰ বিপৰীতে বেছি হ'ব। আৰু যদি সাতো আকাশ এটা বৃত্তত পৰিণত হয় তথাপিও 'লা-ইলা-হা ইল্লাল্লাহে' ইয়াক পাতল কৰি দিব।[18]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** আল্লাহৰ লগত এই কলিমাৰ কোনো পৰ্দা নাই, বৰং সকলো পৰ্দা ভেদ কৰি ই আল্লাহৰ ওচৰত পৌঁছি যায়। তিৰমিজীয়ে আবু হুৰাইৰা ৰাদিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

[18] মুছনাদ: (২/১৭০); ছিলছিলাহ ছহীহাহ, লিল আলবানী: (১৩৪)

«مَا قَالَ عَبْدٌ: لَا إِلَهَ إِلَّا اللَّهُ قَطُّ مُخْلِصًا إِلَّا فُتِحَتْ لَهُ أَبْوَابُ السَّمَاءِ حَتَّى تُفْضِيَ إِلَى الْعَرْشِ مَا اجْتَنَبَ الْكَبَائِرَ»

“কোনো বান্দাই যেতিয়া অন্তৰৰ অন্তঃস্থলৰ পৰা «لَا إِلَهَ إِلَّا اللَّهُ» কৈছে, তেতিয়াই নিশ্চয় তাৰ বাবে আকাশৰ দুৱাৰসমূহ খোলা হৈছে, যাতে ই আৰশ্ব লৈকে পৌঁছি যায়, যেতিয়া লৈকে সি কবীৰা গুনাহৰ পৰা বিৰত থাকে”।[19]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা যিয়ে ক'ব তাৰ বাবে ই নাজাতস্বৰূপ হ'ব। ছহীহ মুছলিমত আহিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এজন মুৱাজ্জিনক কওঁতে শুনিলে: «أشهد أن لاإله إلاالله» (মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই)। তেওঁ ক'লে:«خَرَجَ مِنَ النَّارِ» “সি জাহান্নামৰ পৰা মুক্তি পালে”।[20]

ইতবান ৰাদিয়াল্লাহু 'আনহুৱে কৈছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِنَّ اللَّهَ حَرَّمَ عَلَى النَّارِ مَنْ قَالَ: لا إِلَهَ إِلا اللَّهُ، يَبْتَغِي بِذَلِكَ وَجْهَ اللَّهِ»

“নিশ্চয় যিয়ে আল্লাহৰ সন্তুষ্টি অৰ্জন কৰাৰ উদ্দেশ্যে 'লা-ইলা-হা ইল্লাল্লাহ' ক'ব, আল্লাহে তাক জুইৰ বাবে হাৰাম কৰি দিব”।[21]

**'লা-ইলা-হা ইল্লাল্লাহ'ৰ আন এটা ফজীলত হৈছে:** এই কলিমাক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ঈমানৰ সৰ্বোত্তম শাখা বুলি কৈছে। আবু হুৰাইৰা ৰাদিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে,

---

[19] তিৰমিজী, হাদীছ নং ৩৫৯০; ছহীহ আল-জামে' (হাদীছ নং ৫৬৪৮) গ্ৰন্থত আলবানীয়ে হাছান বুলি কৈছে।

[20] ছহীহ মুছলিম, হাদীছ নং ৩৮২

[21] ছহীহ বুখাৰী, হাদীছ নং ৬৯৩৮; ছহীহ মুছলিম, হাদীছ নং ৩৩, ২৬৩

«الإِيمَانُ بِضْعٌ وَسَبْعُونَ شُعْبَةً، أعلاها قَوْلُ: لَا إِلَهَ إِلَّا اللَّهُ، وَأَدْنَاهَا إِمَاطَةُ الأَذَى عَنِ الطَّرِيقِ»

“ঈমানৰ সত্তৰৰো অধিক শাখা আছে। তাৰে সৰ্বোত্তম শাখা হৈছে লা-ইলা-হা ইল্লাল্লাহ কোৱা, আৰু ইয়াৰ সৰ্বনিম্ন শাখাটো হৈছে বাট-পথৰ পৰা কষ্টদায়ক বস্তু দূৰ কৰা”।[22]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমাক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সৰ্বোত্তম যিকিৰ বুলি কৈছে, যেনে ইমাম তিৰমিজী প্ৰমুখসকলে জাবিৰ ইবনু আব্দিল্লাহ ৰাদিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণনা কৰিছে, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কওঁতে শুনিছে:

«أَفْضَلُ الذِّكْرِ: لا إِلَهَ إِلا اللَّهُ، وأَفْضَلَ الدُّعَاءِ: الْحَمْدُ لِلَّهِ»

“সৰ্বোত্তম যিকিৰ: লা-ইলা-হা ইল্লাল্লাহ আৰু সৰ্বোত্তম দুআ হৈছে: আল-হামদুলিল্লাহ”।[23]

**লা-ইলা-হা ইল্লাল্লাহৰ আন এটা ফজীলত হৈছে:** এই কলিমা যিয়ে অন্তৰৰ পৰা পাঠ কৰিব, কিয়ামতৰ দিনা ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুপাৰিছ লাভ কৰি আটাইতকৈ বেছি সিয়েই ধন্য হ’ব। আবু হুৰাইৰা ৰাদিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে, প্ৰশ্ন কৰা হ’ল, হে আল্লাহৰ ৰাছুল! কিয়ামতৰ দিনা আপোনাৰ ছুপাৰিছ লাভ কৰি আটাইতকৈ বেছি ধন্য কোন হ’ব? তেখেতে ক’লে:

---

[22] ছহীহ বুখাৰী, হাদীছ নং ৯; ছহীহ মুছলিম, হাদীছ নং ৩৫

[23] তিৰমিজী, হাদীছ নং ৩৩৮৩; ইবনে মাজাহ, হাদীছ নং ৩৮০০; ছহীহ আল-জামে‘ (হাদীছ নং ১১০৪) গ্ৰন্থত আলবানীয়ে হাদীছটোক হাছান বুলি কৈছে।

«لَقَدْ ظَنَنْتُ يَا أَبَا هُرَيْرَةَ، أَنْ لَا يَسْأَلَنِي عَنْ هَذَا الْحَدِيثِ أَحَدٌ أَوَّلُ مِنْكَ لِمَا رَأَيْتُ مِنْ حِرْصِكَ عَلَى الْحَدِيثِ، أَسْعَدُ النَّاسِ بِشَفَاعَتِي يَوْمَ الْقِيَامَةِ، مَنْ قَالَ لَا إِلَهَ إِلَّا اللَّهُ خَالِصًا مِنْ قَلْبِهِ أَوْ نَفْسِهِ»

“হে আবু হুৰাইৰা, মই ধাৰণা কৰিছো, এই হাদীছ সম্পৰ্কে তোমাতকৈ আগত কোনেও মোক প্ৰশ্ন নকৰিব। কাৰণ, হাদীছৰ ওপৰত মই তোমাৰ আগ্ৰহ লক্ষ্য কৰিছো। কিয়ামতৰ দিনা মোৰ ছুপাৰিছ লাভ কৰি আটাইতকৈ বেছি ভাগ্যবান সি হ’ব, যিয়ে নিজৰ অন্তৰ অথবা নফছৰ পৰা আন্তৰিক ভাৱে লা-ইলা-হা ইল্লাল্লাহ ক’ব”।[24]

এই হাদীছত তেওঁ কৈছে: «مَنْ قَالَ لَا إِلَهَ إِلَّا اللَّهُ خَالِصًا مِنْ قَلْبِهِ» এই কথাই প্ৰমাণ কৰে যে, কেৱল মুখেৰে লা-ইলা-হা ইল্লাল্লাহ কোৱাটোৱেই যথেষ্ট নহয়, বৰং কোৰআন আৰু হাদীছত বৰ্ণিত কলিমাৰ চৰ্তসমূহ আৰু ইয়াৰ জৰুৰী বিষয়সমূহ বাস্তবায়ন কৰা আৱশ্যক, অন্যথা লা-ইলা-হা ইল্লাল্লাহ মূল্যহীন।

## লা-ইলা-হা ইল্লাল্লাহৰ চৰ্তসমূহ

ইতি পূৰ্বে আমি সৰ্বোচ্চ, সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ কলিমা লা-ইলা-হা ইল্লাল্লাহৰ কিছুমান ফজীলত জানিলো। লগতে জানিলো লা-ইলা-হা ইল্লাল্লাহৰ কাৰণে পৃথিৱী আৰু আখিৰাতত বহুতো ফজীলত, উপকাৰ আৰু কল্যাণ অৰ্জন হয়, কিন্তু মুছলিম হিচাপে প্ৰত্যেকৰে জনা উচিৎ যে, লা-ইলা-হা ইল্লাল্লাহ মৌখিক ভাৱে উচ্চাৰণ কৰাটোৱেই যথেষ্ট নহয়, বৰং ইয়াৰ হক আৰু ফৰজসমূহ আদায় কৰা আৰু ইয়াৰ চৰ্তসমূহ পূৰণ কৰা জৰুৰী, যিবোৰ কোৰআন আৰু ছুন্নাহত আছে। এটা বিষয় যিটো প্ৰত্যেক মুছলিমে জানে যে, যিবোৰ ইবাদতৰ

[24] ছহীহ বুখাৰী, হাদীছ নং ৯৯

দ্বাৰা আমি আল্লাহৰ নৈকট্য অৰ্জন কৰো সেইবোৰ ইবাদতৰ নিজা কিছুমান চৰ্ত আছে, যিবোৰ নহ'লে সংশ্লিষ্ট ইবাদত গ্ৰহণ কৰা নহয়। যেনে, ছালাত অজু নহ'লে গ্ৰহণ কৰা নহয়, এইদৰে হজ্জ, ইয়াৰ চৰ্তবিহীন গ্ৰহণ কৰা নহয়, এইদৰে সকলো ইবাদত নিৰ্ধাৰিত চৰ্তবিহীন গ্ৰহণ কৰা নহয়, যিবোৰ চৰ্ত কোৰআন আৰু ছুন্নাহত বিধৃত হৈছে। ঠিক সেইদৰে লা-ইলা-হা ইল্লাল্লাহ গ্ৰহণ কৰা নহয়, যেতিয়া লৈকে বান্দাই ইয়াৰ চৰ্তসমূহ পূৰণ নকৰিব, যাৰ বৰ্ণনা কোৰআন আৰু হাদীছত আহিছে।

আমাৰ আদৰ্শবান পূৰ্বপুৰুষসকলে লা-ইলা-হা ইল্লাল্লাহৰ চৰ্তৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। কাৰণ, চৰ্ত বাস্তবায়ন কৰা বিহীন লা-ইলা-হা ইল্লাল্লাহ গ্ৰহণযোগ্য নহয়। যেনে, হাছান বাছৰী ৰাহিমাহুল্লাহৰ পৰা বৰ্ণিত, তেওঁক প্ৰশ্ন কৰা হ'ল: "কিছুমান লোকে কয়, যিয়ে 'লা-ইলা-হা ইল্লাল্লাহ' ক'ব সি জান্নাতত যাব। তেওঁ ক'লে, যিয়ে 'লা-ইলা-হা ইল্লাল্লাহ' ক'ব লগতে ইয়াৰ হক আৰু ফৰজসমূহ আদায় কৰিব সি জান্নাতত যাব"।

প্ৰসিদ্ধ আৰবী কবি ফাৰাযদাকে যেতিয়া নিজ স্ত্ৰীক দাফন কৰিছিল, তেতিয়া হাছান বাছৰীয়ে তাক ক'লে, এই দিনৰ বাবে কি প্ৰস্তুত কৰিছা? সি ক'লে: সত্তৰ বছৰৰ পৰা লা-ইলা-হা ইল্লাল্লাহৰ সাক্ষীক প্ৰস্তুত কৰিছো। হাছান বাছাৰীয়ে ক'লে: তোমাৰ প্ৰস্তুতি বৰ সুন্দৰ; কিন্তু লা-ইলা-হা ইল্লাল্লাহৰ কিছুমান চৰ্ত আছে। সাৱধান সতী-সাধ্বী নাৰীক কেতিয়াও অপবাদ নিদিবা"।

ওহাব ইবনু মুনাব্বিহে এজন ব্যক্তিক ক'লে, যিয়ে তেওঁক প্ৰশ্ন কৰিছিল: "লা-ইলা-হা ইল্লাল্লাহ জান্নাতৰ চাবি নহয় জানো? তেখেতে কৈছিল: অৱশ্যেই, কিন্তু মনত ৰাখিবা প্ৰত্যেক চাবিৰ দাঁত আছে, তুমি যদি দাঁত বিশিষ্ট চাবি লৈ আহা তেন্তে তোমাৰ বাবে (জান্নাতৰ দুৱাৰ) খোলা হ'ব, অন্যথা খোলা নহ'ব।

তেখেতে দাঁত বুলি কৈ লা-ইলা-হা ইল্লাল্লাহৰ চৰ্তসমূহৰ ফালে ইংগিত কৰিছে”।[25]

**কোৰআন আৰু ছুন্নাহ অনুসন্ধান কৰাৰ পিছত আহলে ইল্মসকলৰ ওচৰত স্পষ্ট হৈছে যে, সাতটা চৰ্তবিহীন লা-ইলা-হা ইল্লাল্লাহ গ্ৰহণযোগ্য নহয়, সেইবোৰ হৈছে:**

১. কলিমাৰ অৰ্থ জনা, অৰ্থাৎ কলিমাৰ ভিতৰত কি অস্বীকাৰ কৰা হৈছে আৰু কি সাব্যস্ত কৰা হৈছে সেয়া জনা জৰুৰী, ইমান খিনি জ্ঞান অৰ্জন কৰা যিটো ইয়াৰ অৰ্থ সম্পৰ্কে অজ্ঞতাৰ বিপৰীত।

২. কলিমাৰ ভিতৰত যি সাব্যস্ত কৰা হৈছে সেয়া মনে-প্ৰাণে বিশ্বাস কৰা জৰুৰী, যিটো কলিমা সম্পৰ্কে সংশয় আৰু সন্দেহ পোষণ কৰাৰ বিপৰীত।

৩. কলিমাৰ প্ৰতি পূৰ্ণ ইখলাছ প্ৰদৰ্শন কৰা জৰুৰী, যিটো ইয়াৰ অৰ্থ আৰু দাবী বাস্তবায়ন কৰাৰ সময়ত শ্বিৰ্ক আৰু ৰিয়াক প্ৰশ্ৰয় দিয়াৰ বিপৰীত।

৪. কলিমাটোক মনে-প্ৰাণে সত্য বুলি জনা জৰুৰী, যিটো ইয়াৰ প্ৰতি মিথ্যাৰোপ কৰাৰ বিপৰীত।

৫. কলিমাৰ ভিতৰত সাব্যস্ত কৰা সত্বাক (আল্লাহক) মুহাব্বত কৰা জৰুৰী, যিটো তেওঁৰ প্ৰতি কোনো প্ৰকাৰৰ বিদ্বেষ আৰু অসন্তুষ্টি প্ৰকাশ কৰাৰ বিপৰীত।

৬. কলিমাৰ অৰ্থ আৰু দাবীৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰা জৰুৰী, যিটো ইয়াৰ অৰ্থ আৰু দাবীক ত্যাগ কৰাৰ বিপৰীত।

---

[25] এইবোৰ বাণী (আছাৰ) ইবনু ৰজবে ‘কালিমাতুল ইখলাছ’ (পৃ.১৪) গ্ৰন্থত উল্লেখ কৰিছে।

৭. কলিমাৰ অৰ্থ আৰু দাবী মনে-প্ৰাণে গ্ৰহণ কৰা জৰুৰী, যিটো ইয়াৰ অৰ্থ আৰু দাবীৰ বাস্তবায়নক প্ৰতিৰোধ কৰাৰ বিপৰীত।

সাতোটা চৰ্তক এজন আহলে-ইল্মে এটা কবিতাত একত্ৰিত কৰিছে, যেনে:

علم يقين وإخلاص وصدقك مع محبة وانقياد والقبول لها

১. ‘ইল্ম’ অৰ্থাৎ অৰ্থ আৰু দাবী জনা, ২. ‘ইয়াকীন’ অৰ্থাৎ অৰ্থ আৰু দাবীক দৃঢ়ভাৱে বিশ্বাস কৰা, ৩. ‘ইখলাছ’ অৰ্থাৎ অৰ্থ আৰু দাবীক বাস্তবায়ন কৰাৰ সময়ত ৰিয়া (লোকক দেখুৱাবলৈ কৰা কাম) বা শ্বিৰ্কত লিপ্ত নোহোৱা। ৪. ‘ছিদক’ অৰ্থাৎ কলিমাৰ অৰ্থ আৰু দাবীৰ প্ৰতি সত্যাৰোপ কৰা। ৫. ‘মুহাব্বত’ অৰ্থাৎ কলিমাৰ ভিতৰত সাব্যস্ত কৰা সত্বাক মুহাব্বত কৰা, ৬. ‘ইনকিয়াদ’ অৰ্থাৎ কলিমাৰ ভিতৰত সাব্যস্ত কৰা সত্বাৰ প্ৰতি নিঃচৰ্ত আনুগত্য প্ৰদৰ্শন কৰা ৭. ‘কবুল’ অৰ্থাৎ কলিমাৰ অৰ্থ আৰু দাবীক আনন্দচিত্তে গ্ৰহণ কৰা।

তলত আমি কোৰআন আৰু ছুন্নাহৰ আলোকত এইবোৰ চৰ্তৰ অৰ্থ আৰু দাবী সংক্ষেপে আলোচনা কৰিছো, যাতে প্ৰত্যেকটো চৰ্ত সকলোৰে ওচৰত স্পষ্ট হয়।[26]

**প্ৰথম চৰ্ত:** এই কলিমাৰ ভিৰতৰত যি অস্বীকাৰ কৰা হৈছে আৰু যি সাব্যস্ত কৰা হৈছে তাৰ অৰ্থ জনা জৰুৰী, যিটো কলিমা সম্পৰ্কে অজ্ঞ থকাৰ বিপৰীত। অৰ্থাৎ যিয়ে লা-ইলা-হা ইল্লাল্লাহ ক’ব, সি সকলো প্ৰকাৰ ইবাদত কেৱল আল্লাহকেই উৎসৰ্গ কৰিব লাগিব, তেওঁৰ বাহিৰে অন্যান্য উপাস্যক অস্বীকাৰ কৰিব লাগিব। যেনে, আল্লাহ তা‘আলাই কৈছে:

---

[26] এই চৰ্তসমূহ আৰু বিস্তাৰিত চাওঁক (মা‘আৰিজিল কবুল) গ্ৰন্থত: (১/৩৭৭)

﴿إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِينُ ۝٥﴾ [الفاتحة: ٥]

“নিশ্চয় আমি কেৱল তোমাৰেই ইবাদত কৰো আৰু তোমাৰ ওচৰত সহায় বিচাৰো”। [ছুৰা আল-ফাতিহা, আয়াত: ৫] অৰ্থাৎ আমি তোমাৰ ইবাদত কৰো, তোমাৰ বাহিৰে আন কাৰো ইবাদত নকৰো, তোমাৰ ওচৰত সহায় বিচাৰো, তোমাৰ বাহিৰে আন কাৰো ওচৰত সহায় নিবিচাৰো।

আন এটা আয়াতত তেওঁ কৈছে,

﴿فَٱعۡلَمۡ أَنَّهُۥ لَآ إِلَٰهَ إِلَّا ٱللَّهُ ۝١٩﴾ [محمد : ١٩]

“জানি থোৱা যে, আল্লাহৰ বাহিৰে আন কোনো (সত্য) ইলাহ নাই”। [ছুৰা মুহাম্মাদ, আয়াত: ১৯]

আন এটা আয়াতত তেওঁ কৈছে,

﴿ إِلَّا مَن شَهِدَ بِٱلۡحَقِّ وَهُمۡ يَعۡلَمُونَ ۝٨٦ ﴾ [الزخرف: ٨٦]

“কিন্তু সিহঁতৰ বাহিৰে যিসকলে জানি-শুনি সত্য সাক্ষ্য দিয়ে”। [ছুৰা আয-যুখৰুফ, আয়াত: ৮৬]

এই আয়াতৰ ব্যাখ্যা প্ৰসঙ্গত মুফাচ্ছিৰসকলে কৈছে: যিসকলে লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ জানি সাক্ষী দিয়ে তেওঁলোকক ইয়াত উদ্দেশ্য কৰা হৈছে। অৰ্থাৎ মুখ আৰু অন্তৰৰ সমন্বয়ত যি সাক্ষী সিহঁতে প্ৰদান কৰিছে তাৰ অৰ্থ সিহঁতে জানে। উছমান ইবনে আফফান ৰাদিয়াল্লাহু ‘আনহুৰ পৰা ইমাম মুছলিমে বৰ্ণনা কৰিছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ مَاتَ وَهُوَ يَعْلَمُ أَنَّهُ، لَا إِلَهَ إِلَّا اللَّهُ، دَخَلَ الْجَنَّةَ»

“যিয়ে ‘লা-ইলা-হা ইল্লাল্লাহ’ৰ অৰ্থ জনা অৱস্থাত মৃত্যুবৰণ কৰিব সি জান্নাতত যাব”।[27] ইয়াত তেওঁ ইল্ম তথা কলিমাৰ অৰ্থ জনাৰ চৰ্তাৰোপ কৰিছে।

**দ্বিতীয় চৰ্ত:** কলিমাৰ অৰ্থ আৰু দাবীৰ প্ৰতি দৃঢ় বিশ্বাস পোষণ কৰা, তাত কোনো প্ৰকাৰৰ সন্দেহ আৰু সংশয়ক আশ্ৰয় নিদিয়া। অৰ্থাৎ কলিমা উচ্চাৰণকাৰী তাৰ অৰ্থ আৰু দাবীক মনে-প্ৰাণে বিশ্বাস কৰিব, যাতে তাত সন্দেহ আৰু সংশয় নাথাকে, কিন্তু এই ধৰণৰ দৃঢ় বিশ্বাস বা ইয়াকীন অৰ্জন কৰাৰ বাবে পূৰ্ণ জ্ঞান থকা জৰুৰী। আল্লাহ তা‘আলাই মুমিনসকলৰ গুণাৱলীৰ আলোচনাত কৈছে,

﴿إِنَّمَا ٱلۡمُؤۡمِنُونَ ٱلَّذِينَ ءَامَنُواْ بِٱللَّهِ وَرَسُولِهِۦ ثُمَّ لَمۡ يَرۡتَابُواْ وَجَٰهَدُواْ بِأَمۡوَٰلِهِمۡ وَأَنفُسِهِمۡ فِي سَبِيلِ ٱللَّهِۚ أُوْلَٰٓئِكَ هُمُ ٱلصَّٰدِقُونَ ١٥﴾ [الحجرات: ١٥]

“মুমিন কেৱল সিহঁতেই যিসকলে আল্লাহ আৰু তেওঁৰ ৰাছুলৰ প্ৰতি ঈমান আনিছে, তাৰ পিছত সন্দেহ পোষণ কৰা নাই। নিজৰ সম্পদ আৰু নিজৰ জীৱন দি আল্লাহৰ পথত জিহাদ কৰিছে। এওঁলোকেই সত্যনিষ্ঠ”। [ছুৰা আল-হুজুৰাত, আয়াত: ১৫]

আল্লাহৰ বাণী: ثُمَّ لَمۡ يَرۡتَابُواْ অৰ্থাৎ সিহঁতে দৃঢ়ভাৱে বিশ্বাস কৰিছে, সন্দেহ পোষণ কৰা নাই।

আবু হুৰাইৰা ৰাদিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

[27] ছহীহ মুছলিম, হাদীছ নং ৩৬

«أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللَّهُ وَأَنِّي رَسُولُ اللَّهِ، لَا يَلْقَى اللَّهَ بِهِمَا عَبْدٌ غَيْرَ شَاكٍّ فِيهِمَا، إِلَّا دَخَلَ الْجَنَّةَ»

“মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য ইলাহ নাই আৰু মই তেওঁৰ ৰাছুল। যিকোনো বান্দাই এই দুটা বিষয় সম্পৰ্কে সন্দেহ পোষণ কৰাবিহীন আল্লাহৰ লগত সাক্ষাত কৰিব সি জান্নাতত যাব”।[28]

আবু হুৰাইৰা ৰাদিয়াল্লাহু ‘আনহুৰ পৰা ইমাম মুছলিমে আৰু এটা হাদীছ বৰ্ণনা কৰিছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَنْ لَقِيتَ مِنْ وَرَاءِ هذا الْحَائِطِ يَشْهَدُ أَنْ لا إِلَهَ إِلا اللَّهُ مُسْتَيْقِنًا بِهَا قَلْبُهُ، فَبَشِّرْهُ بِالْجَنَّةِ»

“এই দেৱালৰ পিছফালে তুমি যাক পাবা, সি যদি নিজৰ অন্তৰৰ পৰা দৃঢ় বিশ্বাসসহ ‘লা-ইলা-হা ইল্লাল্লাহ’ৰ সাক্ষ্য প্ৰদান কৰে, তাক জান্নাতৰ সুসংবাদ প্ৰদান কৰা”।[29]

এই হাদীছত তেওঁ কলিমাৰ বাবে ইয়াকীন বা দৃঢ় বিশ্বাসৰ চৰ্তাৰোপ কৰিছে।

**তৃতীয় চৰ্ত:** কলিমাৰ অৰ্থ আৰু দাবী পূৰ্ণ ইখলাছৰ সৈতে গ্ৰহণ কৰা, যাতে তাত শ্বিৰ্ক আৰু ৰিয়াৰ অংশ নাথাকে। অৰ্থাৎ প্ৰকাশ্য আৰু অপ্ৰকাশ্য সকলো প্ৰকাৰৰ শ্বিৰ্কৰ পৰা আমলক মুক্ত ৰখা। আল্লাহ তা‘আলাই কৈছে,

﴿أَلَا لِلَّهِ ٱلدِّينُ ٱلۡخَالِصُۚ ٣﴾ [الزمر: ٣]

“জানি থোৱা, আল্লাহৰ বাবেই একনিষ্ঠ ইবাদত”। [ছুৰা আয-যুমাৰ, আয়াত:৩]

[28] ছহীহ মুছলিম, হাদীছ নং ২৭

[29] ছহীহ মুছলিম, হাদীছ নং ৩১

আন আয়াতত তেওঁ কৈছে,

﴿وَمَآ أُمِرُوٓاْ إِلَّا لِيَعۡبُدُواْ ٱللَّهَ مُخۡلِصِينَ لَهُ ٱلدِّينَ ۝٥﴾ [البينة: ٥]

“আৰু সিহঁতক কেৱল এই নিৰ্দেশ দিয়া হৈছিল যে, সিহঁতে যেন কেৱল আল্লাহৰ ইবাদত কৰে, তেওঁৰ বাবেই দ্বীনক একনিষ্ঠ কৰে”। [ছুৰা আল-বাইয়্যিনাহ, আয়াত: ৫]

আবু হুৰাইৰা ৰাদিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«أَسْعَدُ النَّاسِ بِشَفَاعَتِي يَوْمَ الْقِيَامَةِ، مَنْ قَالَ لَا إِلَهَ إِلَّا اللَّهُ خَالِصًا مِنْ قَلْبِهِ أَوْ نَفْسِهِ»

“মোৰ ছুপাৰিছৰ দ্বাৰা সেই ব্যক্তি আটাইতকৈ বেছি সৌভাগ্যবান হ’ব, যিয়ে ইখলাছৰ সৈতে অন্তৰৰ পৰা লা-ইলা-হা ইল্লাল্লাহ ক’ব”।[30] এই হাদীছত তেওঁ কলিমাৰ বাবে ইখলাছ চৰ্ত কৰিছে।

**চতুৰ্থ চৰ্ত:** কলিমাৰ অৰ্থ আৰু দাবীক সত্য জনা, মিথ্যাৰোপ নকৰা অৰ্থাৎ সততাৰ সৈতে বান্দাৰ অন্তৰৰ পৰা এই কলিমা উচ্চাৰণ কৰা। সততাৰ অৰ্থ, মুখৰ লগতে অন্তৰৰ মিল থকা। এই সততা নথকাৰ বাবে অৰ্থাৎ অন্তৰৰ সৈতে মুখৰ মিল নথকাৰ কাৰণে মুনাফিকসকলৰ দুৰ্নাম কৰি আল্লাহ তা‘আলাই কৈছে,

﴿إِذَا جَآءَكَ ٱلۡمُنَٰفِقُونَ قَالُواْ نَشۡهَدُ إِنَّكَ لَرَسُولُ ٱللَّهِۗ وَٱللَّهُ يَعۡلَمُ إِنَّكَ لَرَسُولُهُۥ وَٱللَّهُ يَشۡهَدُ إِنَّ ٱلۡمُنَٰفِقِينَ لَكَٰذِبُونَ ۝١﴾ [المنافقون: ١]

[30] ছহীহ বুখাৰী, হাদীছ নং ৯৯

“যেতিয়া তোমাৰ ওচৰত মুনাফিকসকল আহে, তেতিয়া কয়, আমি সাক্ষ্য দিওঁ যে, নিশ্চয় আপুনি আল্লাহৰ ৰাছুল আৰু আল্লাহে জানে যে, অৱশ্যই তুমি তেওঁৰ ৰাছুল। লগতে আল্লাহে সাক্ষ্য দিয়ে যে, নিশ্চয় মুনাফিকসকল মিছলীয়া”। [ছুৰা আল-মুনাফিকূন, আয়াত: ১]

এই আয়াতত আল্লাহে সিহঁতক মিথ্যাবাদী সাব্যস্ত কৰিছে, কাৰণ সিহঁতে মৌখিকভাৱে যিটো কৈছে সিহঁতৰ অন্তৰত সেইটো নাছিল।

আন এটা আয়াতত আল্লাহ তা'আলাই কৈছে,

﴿أَحَسِبَ ٱلنَّاسُ أَن يُتۡرَكُوٓاْ أَن يَقُولُوٓاْ ءَامَنَّا وَهُمۡ لَا يُفۡتَنُونَ ۝٢ وَلَقَدۡ فَتَنَّا ٱلَّذِينَ مِن قَبۡلِهِمۡۖ فَلَيَعۡلَمَنَّ ٱللَّهُ ٱلَّذِينَ صَدَقُواْ وَلَيَعۡلَمَنَّ ٱلۡكَٰذِبِينَ ۝٣﴾ [العنكبوت: ٢، ٣]

“মানুহে এইটো ধাৰণা কৰে নেকি যে, আমি ঈমান আনিছো বুলি ক'লেই সিহঁতক এৰি দিয়া হ'ব, আৰু সিহঁতক পৰীক্ষা কৰা নহ'ব। আমি সিহঁতৰ পূৰ্বৱৰ্তীসকলকো পৰীক্ষা কৰিছো। ফলত আল্লাহে অৱশ্যই প্ৰকাশ কৰিব যে, কোন সত্যবাদী আৰু অৱশ্যই প্ৰকাশ কৰিব যে, কোন মিথ্যাবাদী”? [ছুৰা আল-'আনকাবূত, আয়াত: ২-৩]

ইমাম বুখাৰী আৰু মুছলিম ৰাহিমাহুল্লাহে মু'আয ইবনে জাবাল ৰাদিয়াল্লাহু 'আনহুৰ পৰা বৰ্ণনা কৰিছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«مَا مِنْ أَحَدٍ يَشْهَدُ أَنَّ لا إِلَهَ إِلا اللَّهُ، وَأَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ صَادِقًا مِنْ قَلْبِهِ، إِلا حَرَّمَهُ اللَّهُ عَلَى النَّارِ»

“যিয়ে অন্তৰৰ সততাৰ সৈতে সাক্ষ্য দিব যে, আল্লাহৰ বাহিৰে আন কোনো সত্য মা'বুদ নাই আৰু মুহাম্মাদ তেওঁৰ বান্দা আৰু ৰাছুল, নিশ্চয় আল্লাহে তাৰ

ওপৰত জাহান্নাম হাৰাম কৰি দিব”।[31] এই হাদীছত তেওঁ কলিমাৰ ভিতৰত সততাৰ চৰ্তাৰোপ কৰিছে।

**পঞ্চম চৰ্ত:** এই কলিমাৰ ভিতৰত সাব্যস্ত কৰা সত্তাক মুহাব্বত কৰা, যাতে তেওঁৰ প্ৰতি বিদ্বেষ আৰু অসন্তুষ্টি সৃষ্টি নহয়, যেনে কলিমা উচ্চাৰণকাৰীয়ে আল্লাহ, আল্লাহৰ ৰাছুল, দ্বীন ইছলাম আৰু মুছলিমসকলক মুহাব্বত কৰিব, যিসকল মুছলিমে আল্লাহৰ নিৰ্দেশ বাস্তবায়ন কৰে আৰু তাত সীমালঙ্ঘন নকৰে। আনহাতে যিসকলে লা-ইলা-হা ইল্লাল্লাহৰ বিৰোধিতা কৰে আৰু তাৰ বিপৰীত বস্তুত লিপ্ত হয়, (যেনে শ্বিৰ্ক আৰু কুফৰ,) সিহঁতক অপছন্দ কৰে। এতেকে, কলিমাৰ ঈমানৰ বাবে মুহাব্বত জৰুৰী। দলীল, আল্লাহৰ বাণী:

﴿وَمِنَ ٱلنَّاسِ مَن يَتَّخِذُ مِن دُونِ ٱللَّهِ أَندَادًا يُحِبُّونَهُمۡ كَحُبِّ ٱللَّهِۖ ١٦٥﴾ [البقرة: ١٦٥]

“আৰু মানুহৰ মাজত এনেকুৱা কিছুমান মানুহ আছে, যিসকলে আল্লাহৰ বাহিৰে আনকো আল্লাহৰ সমকক্ষৰূপে গ্ৰহণ কৰে, সিহঁতকো সেই দৰে ভাল পায় যেনেকৈ আল্লাহক ভাল পাব লাগে”। [ছুৰা আল-বাকাৰা, আয়াত: ১৬৫]

হাদীছত আহিছে:

«أَوْثَقُ عُرَى الإِيمَانِ، الْحُبُّ فِي اللَّهِ، وَالْبُغْضُ فِي اللَّهِ»

“ঈমানৰ আটাইতকৈ মজবুত ৰছী আল্লাহৰ বাবে মুহাব্বত কৰা আৰু আল্লাহৰ বাবেই বিদ্বেষ পোষণ কৰা”।[32]

[31] ছহীহ বুখাৰী, হাদীছ নং ১২৮; ছহীহ মুছলিম, হাদীছ নং ৩২

[32] আহমদ ফিল মুছনাদ: (৪/২৮৬); ছিলছিলাহ ছহীহাহ: (১৭২৮)

**ষষ্ঠ চৰ্ত:** কলিমাৰ অৰ্থ আৰু দাবী মনে-প্ৰাণে গ্ৰহণ কৰা, যিটো প্ৰত্যাখ্যান কৰাৰ বিপৰীত। সত্যনিষ্ঠ ভাৱে কলিমাৰ অৰ্থ আৰু দাবীক গ্ৰহণ কৰা জৰুৰী। যিসকলে লা-ইলা-হা ইল্লাল্লাহ গ্ৰহণ কৰিব আল্লাহ তা'আলাই সিহঁতক মুক্তি প্ৰদান কৰিব। আনহাতে, যিসকলে কলিমা গ্ৰহণ নকৰিব, বৰং প্ৰত্যাখ্যান কৰিব সিহঁতৰ পৰা তেওঁ প্ৰতিশোধ গ্ৰহণ কৰিব আৰু সিহঁতক ধ্বংস কৰিব। আল্লাহ তা'আলাই কৈছে,

﴿ثُمَّ نُنَجِّي رُسُلَنَا وَٱلَّذِينَ ءَامَنُوا۟ۚ كَذَٰلِكَ حَقًّا عَلَيۡنَا نُنجِ ٱلۡمُؤۡمِنِينَ ۝١٠٣﴾ [يونس : ١٠٣]

"তাৰ পিছত, আমি নাজাত দিওঁ আমাৰ ৰাছুলসকলক আৰু সিহঁতকো যিসকলে ঈমান আনিছে। এইটো আমাৰ দায়িত্ব যে, আমি মুমিনসকলক নাজাত দিওঁ"। [ছুৰা ইউনুছ, আয়াত: ১০৩]

আন আয়াতত তেওঁ মুশ্বৰিকসকলৰ বিষয়ে কৈছে,

﴿إِنَّهُمۡ كَانُوٓا۟ إِذَا قِيلَ لَهُمۡ لَآ إِلَٰهَ إِلَّا ٱللَّهُ يَسۡتَكۡبِرُونَ ۝٣٥ وَيَقُولُونَ أَئِنَّا لَتَارِكُوٓا۟ ءَالِهَتِنَا لِشَاعِرٖ مَّجۡنُونِۭ ۝٣٦﴾ [الصافات : ٣٥، ٣٦]

"সিহঁতক যেতিয়া কোৱা হৈছিল, 'আল্লাহৰ বাহিৰে আন কোনো (সত্য) ইলাহ নাই' তেতিয়া নিশ্চয় সিহঁতে অহংকাৰ কৰিছিল। আৰু সিহঁতে কৈছিল, আমি এজন বলীয়া কবিৰ কাৰণে আমাৰ উপাস্যবোৰক এৰি দিমনে"। [ছুৰা আচ-ছাফফাত, আয়াত: ৩৫-৩৬]

**সপ্তম চৰ্ত:** কলিমাৰ অৰ্থ আৰু দাবীৰ সন্মুখত বশ্যতা স্বীকাৰ কৰা, যিটো কলিমা ত্যাগ কৰাৰ বিপৰীত। কাৰণ, লা-ইলা-হা ইল্লাল্লাহ উচ্চাৰণ কৰাৰ অৰ্থ আল্লাহৰ চৰীয়তৰ সন্মুখত পূৰ্ণ আনুগত্য প্ৰকাশ কৰা, তাৰ বিধানক মানি লোৱা আৰু নিজ চেহাৰাক আল্লাহৰ ফালে ধাৱিত কৰা জৰুৰী, লা-ইলা-হা ইল্লাল্লাহৰ

অৰ্থক মজবুত ভাৱে ধাৰণ কৰাৰ অৰ্থ এইটোৱেই। এই বাবেই আল্লাহ তা'আলাই কৈছে:

﴿وَمَن يُسْلِمْ وَجْهَهُۥٓ إِلَى ٱللَّهِ وَهُوَ مُحْسِنٌ فَقَدِ ٱسْتَمْسَكَ بِٱلْعُرْوَةِ ٱلْوُثْقَىٰ ﴿٢٢﴾﴾ [لقمان: ٢٢]

“আৰু যি ব্যক্তি একনিষ্ঠ আৰু বিশুদ্ধচিত্তে আল্লাহৰ ওচৰত নিজকে সমৰ্পণ কৰে, সি যেনিবা মজবুত ৰছী ধাৰণ কৰিলে”। [ছুৰা লুকমান, আয়াত: ২২] অৰ্থাৎ লা-ইলা-হা ইল্লাল্লাহক ধাৰণ কৰা। ইয়াত আল্লাহ তা'আলাই কলিমাৰ সৈতে চৰীয়তৰ প্ৰতি আনুগত্য প্ৰদানক চৰ্ত কৰিছে, অৰ্থাৎ আল্লাহৰ সমীপত আত্মসমৰ্পণ কৰা।

লা-ইলা-হা ইল্লাল্লাহৰ বাবে এইবোৰ চৰ্ত জৰুৰী। কলিমাৰ উদ্দেশ্য কেতিয়াও শব্দ গণনা আৰু বাক্য মুখস্থ কৰা নহয়। এনেকুৱা বহুতো সাধাৰণ লোক আছে, যাৰ ভিতৰত কলিমাৰ গোটেই চৰ্ত বিদ্যমান আছে আৰু সি সেয়া মজবুত ভাৱে ধাৰণ কৰিছে, কিন্তু যদি তাক কোৱা হয়: গণনা কৰা, তেতিয়া সি চৰ্তসমূহ ভালকৈ গণনাও কৰিব নোৱাৰিব, আনহাতে কলিমাৰ শব্দ মুখস্থকাৰী বহুতো লোক আছে, যিয়ে তীৰৰ দৰে কলিমা উচ্চাৰণ কৰিবলৈ সক্ষম, কিন্তু সিহঁতৰ বহুতেই কলিমা পৰিপন্থী বস্তুত লিপ্ত। এতেকে কলিমাৰ বাবে ইল্ম আৰু আমল উভয় জৰুৰী, তেতিয়াহে ব্যক্তি এজনে সত্যনিষ্ঠ ভাৱে লা-ইলা-হা ইল্লাল্লাহ বা তাওহীদৰ কলিমাৰ পৰিয়ালভুক্ত হ'ব, যাৰ তাওফীকদাতা আৰু সাহায্যকাৰী সত্তা একমাত্ৰ আল্লাহ তাআলা। আমি তেওঁৰ ওচৰতেই প্ৰাৰ্থনা কৰিছোঁ যে, তেওঁ যেন আমাক তেওঁৰ তাওফীক দান কৰে, সকলো ধৰণৰ প্ৰশংসা কেৱলমাত্ৰ তেওঁৰ বাবেই নিবেদিত।

## লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ আৰু বক্তব্য

এই কথাত কোনো সন্দেহ নাই যে, লা-ইলা-হা ইল্লাল্লাহ সৰ্বোত্তম, সৰ্বশ্ৰেষ্ঠ আৰু আটাইতকৈ পৰিপূৰ্ণ যিকিৰ, যিটো আল্লাহৰ ওচৰত গ্ৰহণযোগ্য হোৱাৰ বাবে কেৱল মুখেৰে উচ্চাৰণ কৰাটোৱেই যথেষ্ট নহয়, বৰং ইয়াৰ প্ৰকৃত অৰ্থ আৰু মৌলিক শিক্ষা বাস্তবায়ন কৰাটোও জৰুৰী, যেনে শ্বিৰ্ক প্ৰত্যাখ্যান কৰা, সকলো ধৰণৰ ইবাদতৰ অধিকাৰ কেৱল আল্লাহৰ বাবে সাব্যস্ত কৰা, কলিমাৰ সংশ্লিষ্ট বিষয়ক দৃঢ়ভাৱে বিশ্বাস কৰা। এইদৰে বান্দাই প্ৰকৃত মুছলিম আৰু লা-ইলা-হা ইল্লাল্লাহৰ পৰিয়ালভুক্ত হয়।

'লা-ইলা-হা ইল্লাল্লাহ'ৰ অৰ্থ, আল্লাহৰ বাহিৰে কোনো বস্তু আৰু সত্তাই ইলাহ হোৱাৰ যোগ্যতা নাৰাখে। তেওঁৰ বাহিৰে সকলো বস্তুৰ উপাসনা পথভ্ৰষ্টতা, ডাঙৰ অন্যায় আৰু চূড়ান্ত পৰ্যায়ৰ গোমৰাহী। আল্লাহ তা'আলাই কৈছে,

﴿وَمَنۡ أَضَلُّ مِمَّن يَدۡعُواْ مِن دُونِ ٱللَّهِ مَن لَّا يَسۡتَجِيبُ لَهُۥٓ إِلَىٰ يَوۡمِ ٱلۡقِيَٰمَةِ وَهُمۡ عَن دُعَآئِهِمۡ غَٰفِلُونَ ۝٥ وَإِذَا حُشِرَ ٱلنَّاسُ كَانُواْ لَهُمۡ أَعۡدَآءٗ وَكَانُواْ بِعِبَادَتِهِمۡ كَٰفِرِينَ ۝٦﴾ [الاحقاف: ٥، ٦]

"সেই ব্যক্তিতকৈ অধিক পথভ্ৰষ্ট আৰু কোন হ'ব পাৰে, যিয়ে আল্লাহৰ পৰিবৰ্তে এনেকুৱা সত্তাক আহ্বান কৰে, যিয়ে কিয়ামত দিৱস লৈকেও তাৰ আহ্বানৰ উত্তৰ দিব নোৱাৰে? আৰু সিহঁত নিজৰ আহ্বান সম্পৰ্কে উদাসীন। যেতিয়া মানুহক একত্ৰিত কৰা হ'ব, তেতিয়া এই উপাস্যসমূহ সিহঁতৰ শত্ৰু হ'ব আৰু সিহঁতে সিহঁতক কৰা ইবাদত অস্বীকাৰ কৰিব"। [ছুৰা আল-আহকাফ, আয়াত: ৫-৬]

আন এটা আয়াতত তেওঁ কৈছে,

﴿ ذَٰلِكَ بِأَنَّ ٱللَّهَ هُوَ ٱلۡحَقُّ وَأَنَّ مَا يَدۡعُونَ مِن دُونِهِۦ هُوَ ٱلۡبَٰطِلُ وَأَنَّ ٱللَّهَ هُوَ ٱلۡعَلِيُّ ٱلۡكَبِيرُ ٦٢ ﴾ [الحج : ٦٢]

“আৰু এইটো এই বাবে যে, নিশ্চয় আল্লাহেই সত্য আৰু তেওঁৰ পৰিবৰ্তে যাক সিহঁতে আহ্বান কৰে, নিশ্চয় সেয়া বাতিল। নিশ্চয় আল্লাহ সুউচ্চ, সুমহান”। [ছুৰা আল-হাজ, আয়াত: ৬২]

আন ঠাইত তেওঁ কৈছে,

﴿ إِنَّ ٱلشِّرۡكَ لَظُلۡمٌ عَظِيمٌ ١٣ ﴾ [لقمان: ١٣]

“নিশ্চয় শ্বিৰ্ক হৈছে আটাইতকৈ ডাঙৰ যুলুম”। [ছুৰা লুকমান, আয়াত: ১৩]

আৰু কৈছে,

﴿وَٱلۡكَٰفِرُونَ هُمُ ٱلظَّٰلِمُونَ ٢٥٤ ﴾ [البقرة: ٢٥٤]

“আৰু কাফিৰসকলেই যালিম”। [ছুৰা আল-বাকাৰা, আয়াত: ২৫৪]

যুলুমৰ অৰ্থ হৈছে, কোনো বস্তুক তাৰ উপযুক্ত স্থানত নৰখা। ইবাদতৰ উপযুক্ত হকদাৰ কেৱল আল্লাহ তা'আলা, সেয়ে তেওঁক এৰি গায়ৰুল্লাহক ইবাদত অৰ্পন কৰা আটাইতকৈ ডাঙৰ যুলুম বা কুফুৰী। কাৰণ, গায়ৰুল্লাহক ইবাদত অৰ্পন কৰিলেই ইবাদত সঠিক স্থানৰ পৰা বিচ্যুত হয়, যিটোতকৈ ডাঙৰ যুলুম বা অন্যায় আন একো নাই।

ইয়াত কোনো সন্দেহ নাই যে, লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ বুজা আৰু আয়ত্ত কৰা জৰুৰী। কাৰণ, সকলো আলিমে একমত যে, কলিমাৰ অৰ্থ বুজা আৰু

তাৰ দাবীৰ ওপৰত আমল কৰা বিহীন কেৱল ইয়াৰ উচ্চাৰণে কাৰো বাবে কল্যাণ লৈ নাহিব। যেনে, আল্লাহ তা'আলাই কৈছে,

﴿وَلَا يَمۡلِكُ ٱلَّذِينَ يَدۡعُونَ مِن دُونِهِ ٱلشَّفَٰعَةَ إِلَّا مَن شَهِدَ بِٱلۡحَقِّ وَهُمۡ يَعۡلَمُونَ ٨٦﴾ [الزخرف: ٨٦]

"আৰু তেওঁৰ বাহিৰে সিহঁতে যিসকলক আহ্বান কৰে সিহঁতে ছুপাৰিছৰ অধিকাৰী নহ'ব, কিন্তু সিহঁতৰ বাহিৰে যিসকলে জানি-শুনি সত্য সাক্ষ্য দিয়ে"। [ছুৰা আয-যুখৰুফ, আয়াত: ৮৬]

মুফাচ্ছিৰসকলৰ মতে আয়াতৰ অৰ্থ: যিয়ে লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ জানি-বুজি অন্তৰৰ পৰা ইয়াৰ সাক্ষ্য দিব আৰু মুখেৰে উচ্চাৰণ কৰিব ইয়াত তাৰেই কথা কোৱা হৈছে। কাৰণ সাক্ষ্য প্ৰদান কৰাৰ অৰ্থ হৈছে, সাক্ষীদাতাই তাৰ সাক্ষ্য সম্পৰ্কে পৰিপূৰ্ণ জ্ঞাত থকা, যদি নজনাকৈ সাক্ষ্য দিয়ে, তেনেহ'লে এইটো সাক্ষ্যই নহয়। এইদৰে সাক্ষ্যই ঘটনাৰ সত্যতা আৰু আমল দাবী কৰে। ইয়াৰ পৰা স্পষ্ট হয় যে, কলিমাৰ জ্ঞানাৰ্জনৰ লগতে বাহ্যিক আমল আৰু অন্তৰৰ সত্যতা জৰুৰী, তেতিয়াহে কলিমা উচ্চাৰণকাৰী বান্দাই খৃষ্টানসকলৰ নীতিৰ পৰা পৰিত্ৰাণ পাব, কাৰণ খৃষ্টানসকলে ইল্মবিহীন আমল কৰে। এইদৰে মুক্ত হ'ব ইয়াহূদীসকলৰ নীতিৰ পৰা, যিসকলে জনা সত্ত্বেও তাৰ ওপৰত আমল নকৰে। আৰু কলিমাৰ প্ৰতি অন্তৰৰ সত্যতা প্ৰকাশ কৰি মুনাফিকসকলৰ তৰিকাৰ পৰা মুক্ত হ'ব, যিসকলে অন্তৰেৰে কলিমা বিশ্বাস নকৰে। তেতিয়াহে বান্দাই ছিৰাতে মুস্তাকীমৰ পৰিয়ালভুক্ত হ'ব, যিসকলৰ ওপৰত আল্লাহে নি'আমত দান কৰিছে আৰু যিসকল অভিশপ্ত বা পথভ্ৰষ্টও নহয়।

সাৰাংশ: লা-ইলা-হা ইল্লাল্লাহ তাকেই উপকৃত কৰিব, যিয়ে জানে যে, কলিমাই কি প্ৰমাণ কৰে আৰু কি প্ৰত্যাখ্যান কৰে আৰু সেয়া মনে-প্ৰাণে বিশ্বাস কৰে লগতে তাৰ ওপৰত আমল কৰে; আনহাতে যিয়ে অন্তৰৰ বিশ্বাস ব্যতীত কলিমা পাঠ কৰে আৰু তাৰ ওপৰত আমল কৰে সি মুনাফিক। আৰু যিয়ে কলিমা উচ্চাৰণ কৰে কিন্তু ইয়াৰ পৰিপন্থী বস্তু শ্বিৰ্কত লিপ্ত হয় সি কাফিৰ। এইদৰে কোনোবাই যদি কলিমা উচ্চাৰণ কৰি মুৰতাদ হয়, বা ইয়াৰ অৱশ্য জৰুৰী কোনো বিষয় বা দাবী অস্বীকাৰ কৰে, সেই ব্যক্তিকো কলিমাই উপকৃত নকৰিব, যদিও সি কলিমা হেজাৰ বাৰ উচ্চাৰণ নকৰক কিয়। এইদৰে কোনোবাই যদি কলিমাৰ সাক্ষ্য প্ৰদান কৰি কোনো ধৰণৰ ইবাদত গায়ৰুল্লাক প্ৰদান কৰে। যেনে, দুআ, জবেহ, মান্নত, ফৰিয়াদ, তাৱাক্কুল, প্ৰত্যাবৰ্তন, আশা, ভয়, মুহাব্বত আৰু এই জাতীয় অন্যান্য ইবাদত, যিবোৰ আল্লাহৰ বাহিৰে আন কাৰো বাবে প্ৰযোজ্য নহয়, তাৰে এটাও যদি আল্লাহৰ বাহিৰে আন কাৰো বাবে প্ৰদান কৰে, তেন্তে সি হ'ব আল্লাহৰ লগত শ্বিৰ্ককাৰী মুশ্বৰিক, যদিও সি মুখেৰে লা-ইলা-হা ইল্লাল্লাহ উচ্চাৰণ কৰে। কাৰণ, সি কলিমাৰ দাবী তাওহীদ আৰু ইখলাছৰ ওপৰত আমল কৰা নাই, যিটো কলিমাৰ মূল আৰু মৌলিক শিক্ষা।[33]

**লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ:** এক ইলাহৰ বাহিৰে সত্য কোনো মা'বুদ নাই, তেওঁ একক তেওঁৰ কোনো অংশীদাৰ নাই। অভিধান হিচাপে ইলাহ অৰ্থাৎ: মা'বুদ। আৰু লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ আল্লাহৰ বাহিৰে সত্য কোনো মা'বুদ নাই। যেনে, আল্লাহ তা'আলাই কৈছে:

﴿وَمَآ أَرۡسَلۡنَا مِن قَبۡلِكَ مِن رَّسُولٍ إِلَّا نُوحِيٓ إِلَيۡهِ أَنَّهُۥ لَآ إِلَٰهَ إِلَّآ أَنَا۠ فَٱعۡبُدُونِ ٢٥﴾ [الانبياء: ٢٥]

[33] চাওঁক: 'তাইছিৰুল আযীযিল হামীদ': (পৃ. ৭৮)

“আৰু তোমাৰ পূৰ্বে যি ৰাছুল আমি পঠিয়াইছো, তেওঁৰ প্ৰতিও আমি এই ওহী নাযিল কৰিছো যে, ‘মোৰ বাহিৰে আন কোনো (সত্য) ইলাহ নাই। এতেকে তোমালোকে কেৱল মোৰেই ইবাদত কৰা”। [ছুৰা আল-আম্বিয়া, আয়াত: ২৫]

তেওঁ আৰু কৈছে,

﴿وَلَقَدۡ بَعَثۡنَا فِي كُلِّ أُمَّةٖ رَّسُولًا أَنِ ٱعۡبُدُواْ ٱللَّهَ وَٱجۡتَنِبُواْ ٱلطَّٰغُوتَۖ ٣٦﴾ [النحل: ٣٦]

“আৰু আমি নিশ্চয় প্ৰত্যেক জাতিতেই একোজনকৈ ৰাছুল প্ৰেৰণ কৰিছো যে, তোমালোকে আল্লাহৰ ইবাদত কৰা আৰু তাগুতক পৰিহাৰ কৰা”। [ছুৰা আন-নাহল, আয়াত: ৩৬]

ইয়াৰ পৰা স্পষ্ট হ’ল যে, ইলাহ অৰ্থাৎ মা‘বুদ, লা-ইলা-হা ইল্লাল্লাহ অৰ্থাৎ, একনিষ্ঠভাৱে সকলো ইবাদত আল্লাহকেই অৰ্পন কৰা আৰু তাগুতৰ ইবাদত প্ৰত্যাখ্যান কৰা। এই বাবেই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মক্কাৰ কাফিসকলক কৈছিল, তোমালোকে ‘লা-ইলা-হা ইল্লাল্লাহ’ কোৱা, তেতিয়া সিহঁতে কৈছিল:

﴿أَجَعَلَ ٱلۡأٓلِهَةَ إِلَٰهٗا وَٰحِدًاۖ إِنَّ هَٰذَا لَشَيۡءٌ عُجَابٞ ٥﴾ [ص : ٥]

“সি সকলো উপাস্যক এজন উপাস্য বনাই লৈছে নেকি? নিশ্চয় এয়া এক আশ্চৰ্য বিষয়”। [ছুৰা চাদ, আয়াত: ৫]

এইদৰে হূদ আলাইহিচ ছালামৰ সম্প্ৰদায়ে সিহঁতৰ নবীক কৈছিল, যেতিয়া তেওঁ কৈছিল: তোমালোকে ‘লা-ইলা-হা ইল্লাল্লাহ’ কোৱা:

﴿قَالُوٓاْ أَجِئۡتَنَا لِنَعۡبُدَ ٱللَّهَ وَحۡدَهُۥ وَنَذَرَ مَا كَانَ يَعۡبُدُ ءَابَآؤُنَا ٧٠﴾ [الاعراف: ٦٩]

“সিহঁতে ক’লে, ‘তুমি আমাৰ ওচৰত এই বাবে আহিছা নেকি যে, আমি এক আল্লাহৰ ইবাদত কৰিম আৰু আমাৰ পিতৃপুৰুষসকলে যাৰ ইবাদত কৰিছিল সেইবোৰক ত্যাগ কৰিম”? [ছুৰা আল-আ‘ৰাফ, আয়াত: ৭০]

নবীসকলে যেতিয়াই নিজ সম্প্ৰদায়ক লা-ইলা-হা ইল্লাল্লাহৰ দাৱাত দিছে, তেতিয়াই তেওঁলোকৰ সম্প্ৰদায়ে এইবোৰ উত্তৰ দিছে। কাৰণ, সিহঁতে কলিমাৰ অৰ্থ জানিছিল, আল্লাহৰ বাহিৰে সকলো সত্তাৰ উপাসনা ত্যাগ কৰা, যিজন ইবাদতৰ হকদাৰ তেওঁৰ বাবেই সকলো ধৰণৰ ইবাদত সাব্যস্ত কৰা। এতেকে, লা-ইলা-হা ইল্লাল্লাহে দুটা অৰ্থক অন্তৰ্ভূক্ত কৰে: অস্বীকাৰ কৰা আৰু সাব্যস্ত কৰা, অৰ্থাৎ আল্লাহৰ বাহিৰে সকলো ইলাহৰ ইবাদত অস্বীকাৰ কৰা। এতেকে আল্লাহৰ বাহিৰে যিবোৰ ফিৰিস্তা আৰু নবী আছে (আনৰ কথাতো বাদেই) সিহঁতেও কোনো ইলাহ নহয়, কোনো ধৰণৰ ইবাদতত তেওঁলোকৰ অধিকাৰ নাই। আৰু দ্বিতীটো হৈছে, আল্লাহৰ বাবে সকলো ধৰণৰ ইবাদত সাব্যস্ত কৰা, অৰ্থাৎ বান্দাই আল্লাহৰ বাহিৰে আন কাৰো লগত যুক্ত নহ’ব, তেওঁৰ বাহিৰে আন কোনো বস্তুৰ প্ৰতি একনিষ্ঠভাৱে মনোযোগী নহ’ব। এইটোৱেই অন্তৰৰ মনোযোগ, কোনো বস্তু বা সত্তাৰ প্ৰতি এই জাতীয় মনোযোগৰ পৰা বান্দাই ইবাদত উৎসৰ্গত প্ৰলুব্ধ হয়, যেনে দুআ, জবেহ আৰু মান্নত ইত্যাদি।

কোৰআনুল কাৰীমৰ বহু ঠাইত লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ, দাবী আৰু উদ্দেশ্য স্পষ্টভাৱে বৰ্ণনা কৰা হৈছে। যেনে, আল্লাহ তা‘আলাই কৈছে,

﴿وَإِلَٰهُكُمْ إِلَٰهٌ وَاحِدٌ ۖ لَّا إِلَٰهَ إِلَّا هُوَ الرَّحْمَٰنُ الرَّحِيمُ ﴿١٦٣﴾﴾ [البقرة: ١٦٣]

“আৰু তোমালোকৰ ইলাহ এজন ইলাহ। তেওঁৰ বাহিৰে আন কোনো সত্য ইলাহ নাই। তেওঁ অতি দয়াময়, পৰম দয়ালু”। [ছুৰা আল-বাকাৰা, আয়াত: ১৬৩]

আন ঠাইত তেওঁ কৈছে,

﴿وَمَآ أُمِرُوٓاْ إِلَّا لِيَعۡبُدُواْ ٱللَّهَ مُخۡلِصِينَ لَهُ ٱلدِّينَ حُنَفَآءَ ۝٥﴾ [البينة: ٥]

“আৰু সিহঁতক কেৱল এই নিৰ্দেশ দিয়া হৈছিল যে, সিহঁতে যেন আল্লাহৰ ইবাদত কৰে আৰু তেওঁৰ বাবেই দ্বীনক একনিষ্ঠ কৰে”। [ছুৰা আল-বাইয়্যিনাহ, আয়াত: ৫]

আন ঠাইত তেওঁ কৈছে,

﴿وَإِذۡ قَالَ إِبۡرَٰهِيمُ لِأَبِيهِ وَقَوۡمِهِۦٓ إِنَّنِي بَرَآءٞ مِّمَّا تَعۡبُدُونَ ۝٢٦ إِلَّا ٱلَّذِي فَطَرَنِي فَإِنَّهُۥ سَيَهۡدِينِ ۝٢٧ وَجَعَلَهَا كَلِمَةَۢ بَاقِيَةٗ فِي عَقِبِهِۦ لَعَلَّهُمۡ يَرۡجِعُونَ ۝٢٨﴾ [الزخرف: ٢٦، ٢٨]

“আৰু স্মৰণ কৰা, যেতিয়া ইব্ৰাহীমে নিজ পিতৃ আৰু তেওঁৰ সম্প্ৰদায়ক কৈছিল, ‘তোমালোকে যিবোৰৰ ইবাদত কৰা, নিশ্চয় মই সিহঁতৰ পৰা সম্পৰ্কমুক্ত। কিন্তু (তেওঁৰ বাহিৰে) যিজনে মোক সৃষ্টি কৰিছে। এতেকে নিশ্চয় তেওঁ মোক শীঘ্ৰেই হিদায়ত দিব। আৰু ইয়াক তেওঁ পৰৱৰ্তী লোকসকলৰ মাজত এক চিৰন্তন বাণী হিচাপে ৰাখি গ’ল, যাতে সিহঁতে প্ৰত্যাবৰ্তন কৰিব পাৰে”। [ছুৰা আয-যুখৰুফ, আয়াত: ২৮]

ছুৰা ইয়াছীনত এজন মুমিন ব্যক্তিৰ কথা উদ্ধৃত কৰি আল্লাহ তাআলাই কৈছে,

﴿وَمَا لِيَ لَآ أَعۡبُدُ ٱلَّذِي فَطَرَنِي وَإِلَيۡهِ تُرۡجَعُونَ ۝٢٢ ءَأَتَّخِذُ مِن دُونِهِۦٓ ءَالِهَةً إِن يُرِدۡنِ ٱلرَّحۡمَٰنُ بِضُرّٖ لَّا تُغۡنِ عَنِّي شَفَٰعَتُهُمۡ شَيۡـٔٗا وَلَا يُنقِذُونِ ۝٢٣ إِنِّيٓ إِذٗا لَّفِي ضَلَٰلٖ مُّبِينٍ ۝٢٤﴾ [يس: ٢٢، ٢٤]

“আৰু মই কিয় তেওঁৰ ইবাদত নকৰিম যিজনে মোক সৃষ্টি কৰিছে? আৰু তেওঁৰ ওচৰতেই তোমালোকক উভতাই লোৱা হ’ব। মই তেওঁৰ পৰিবৰ্তে অন্য ইলাহ গ্ৰহণ কৰিম নেকি? যদি ৰহমানে মোৰ কোনো ক্ষতি কৰাৰ ইচ্ছা কৰে,

তেনেহ'লে সিহঁতৰ ছুপাৰিছ মোৰ কোনো কামত নাহিব আৰু সিহঁতে মোক উদ্ধাৰো কৰিব নোৱাৰিব। এনেকুৱা হ'লে নিশ্চয় মই স্পষ্ট বিভ্ৰান্তিত পতিত হম"। [ছুৰা ইয়াছীন, আয়াত: ২২-২৪]

তেওঁ আৰু কৈছে,

﴿قُلۡ إِنِّيٓ أُمِرۡتُ أَنۡ أَعۡبُدَ ٱللَّهَ مُخۡلِصٗا لَّهُ ٱلدِّينَ ١١ وَأُمِرۡتُ لِأَنۡ أَكُونَ أَوَّلَ ٱلۡمُسۡلِمِينَ ١٢ قُلۡ إِنِّيٓ أَخَافُ إِنۡ عَصَيۡتُ رَبِّي عَذَابَ يَوۡمٍ عَظِيمٖ ١٣ قُلِ ٱللَّهَ أَعۡبُدُ مُخۡلِصٗا لَّهُۥ دِينِي ١٤﴾ [الزمر: ١١، ١٤]

"কোৱা, নিশ্চয় মোক নিৰ্দেশ দিয়া হৈছে মই যেন আল্লাহৰ ইবাদত কৰো তেওঁৰ বাবেই আনুগত্যক একনিষ্ঠ কৰো। মোক আৰু নিৰ্দেশ দিয়া হৈছে যে, ময়েই যেন প্ৰথম মুছলিম হওঁ। কোৱা, মই যদি মোৰ ৰবৰ অবাধ্য হওঁ তেন্তে মই এক মহা-দিৱসৰ শাস্তিৰ আশংকা কৰো। কোৱা, মোৰ আনুগত্য একনিষ্ঠ কৰি মই কেৱল আল্লাহৰেই ইবাদত কৰো"। [ছুৰা আয-যুমাৰ, আয়াত: ১১-১৪]

ফিৰ'আউনৰ পৰিয়ালৰ মুমিন ব্যক্তিৰ কথা উদ্ধৃত কৰি আল্লাহ তাআলাই কৈছে,

﴿وَيَٰقَوۡمِ مَا لِيٓ أَدۡعُوكُمۡ إِلَى ٱلنَّجَوٰةِ وَتَدۡعُونَنِيٓ إِلَى ٱلنَّارِ ٤١ تَدۡعُونَنِي لِأَكۡفُرَ بِٱللَّهِ وَأُشۡرِكَ بِهِۦ مَا لَيۡسَ لِي بِهِۦ عِلۡمٞ وَأَنَا۠ أَدۡعُوكُمۡ إِلَى ٱلۡعَزِيزِ ٱلۡغَفَّٰرِ ٤٢ لَا جَرَمَ أَنَّمَا تَدۡعُونَنِيٓ إِلَيۡهِ لَيۡسَ لَهُۥ دَعۡوَةٞ فِي ٱلدُّنۡيَا وَلَا فِي ٱلۡأٓخِرَةِ وَأَنَّ مَرَدَّنَآ إِلَى ٱللَّهِ وَأَنَّ ٱلۡمُسۡرِفِينَ هُمۡ أَصۡحَٰبُ ٱلنَّارِ ٤٣﴾ [غافر: ٤١، ٤٣]

"হে মোৰ সম্প্ৰদায়! মই এইটো কি দেখি আছো যে, মই তোমালোকক মুক্তিৰ পিনে মাতি আছো আৰু তোমালোকে মোক জুইৰ ফালে মাতি আছা! তোমালোকে মোক মাতি আছা যাতে মই আল্লাহৰ লগত কুফুৰী কৰো আৰু

তেওঁৰ লগত অংশী স্থাপন কৰো, যি বিষয়ে মোৰ কোনো জ্ঞান নাই, আৰু মই তোমালোকক মাতিছো মহা-পৰাক্রমশালী পৰম ক্ষমাশীলৰ পিনে। এই বিষয়ে কোনো সন্দেহ নাই যে, যাৰ পিনে তোমালোকে মোক মাতি আছা, সি পৃথিৱী বা আখিৰাতত কাৰো আহ্বানৰ যোগ্য নহয়। কাৰণ আমাৰ প্ৰত্যাবৰ্তন হ'ব আল্লাহৰ পিনে আৰু নিশ্চয় সীমালংঘনকাৰীসকল হ'ব জুইৰ বাসিন্দা"। [ছুৰা গাফিৰ, আয়াত: ৪১-৪৩]

এই ধৰণৰ অৰ্থ প্ৰদানকাৰী আয়াত বহুতো আছে, যাৰ পৰা লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ স্পষ্ট হয়, অৰ্থাৎ আল্লাহৰ বাহিৰে সকলো ছুপাৰিছকাৰী আৰু অংশীদাৰসকলৰ ইবাদত ত্যাগ কৰা, একমাত্ৰ আল্লাহকেই সকলো প্ৰকাৰৰ ইবাদত অৰ্পন কৰা। এইটোৱেই হৈছে হিদায়ত আৰু সত্য দ্বীন, যিটো প্ৰদান কৰি আল্লাহে ৰাছুলসকলক প্ৰেৰণ কৰিছিল আৰু কিতাব অৱতীৰ্ণ কৰিছে। আৰু যিসকলে লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ নাজানি আৰু তাৰ দাবী মোতাবিক আমল নকৰি কেৱল মৌখিকভাৱে কলিমা উচ্চাৰণ কৰে, বৰং কেতিয়াবা গায়ৰুল্লাহক কিছুমান ইবাদত অৰ্পন কৰে। যেনে, দুআ, ভয়, জবেহ, মান্নত আৰু অন্যান্য ইবাদত, কলিমাৰ এই জাতীয় উচ্চাৰণ সিহঁতক লা-ইলা-হা ইল্লাল্লাহৰ পৰিয়ালভুক্ত নকৰিব আৰু কিয়ামতৰ দিনা সিহঁতে আল্লাহৰ শাস্তিৰ পৰা মুক্তি নাপাব।[34]

এতেকে, লা-ইলা-হা ইল্লাল্লাহ অৰ্থহীন কোনো নাম নহয় অথবা বাস্তৱতাহীন কোনো কথা নহয় নাইবা এনে কোনো বাক্যও নহয়, যিটোৰ সুনিৰ্দিষ্ট কোনো বিষয়বস্তু নাই, যেনেকৈ কিছুমান লোকে ধাৰণা কৰে। সিহঁতৰ ধাৰণা হৈছে, কলিমাৰ মূল উদ্দেশ্য মুখেৰে উচ্চাৰণ কৰা, অন্তৰত তাৰ বিশ্বাস থকা জৰুৰী

[34] চাওঁক: 'তাইছীৰুল আযীযিল হামীদ': (পৃ. ১৪০)

নহয় অথবা কেৱল উচ্চাৰণ কৰাটোৱেই যথেষ্ট, তাৰ নীতি আৰু অৰ্থ বাস্তবায়ন কৰা জৰুৰী নহয়। সিহঁতৰ ধাৰণা সঠিক নহয়, এইটো কেতিয়াও কলিমাৰ প্ৰকৃতি নহয়, বৰং এই কলিমা মহান অৰ্থৰ ধাৰক, বৰ ডাঙৰ অৰ্থপূৰ্ণ বাক্য, যিটো সকলো বাক্যৰ অৰ্থতকৈ ডাঙৰ।

উক্ত আলোচনাৰ সাৰাংশ: আল্লাহৰ বাহিৰে সকলো বস্তুৰ ইবাদতৰ পৰা মুক্ত হোৱা আৰু আনুগত্য, বিনয়, আশা, প্ৰত্যাশা, মনোযোগ, তাৱাক্কুল, দুআ আৰু প্ৰাৰ্থনাসহ আল্লাহৰ প্ৰতি মনোনিবেশ কৰা, এতেকে লা-ইলা-হা ইল্লাল্লাহৰ ধাৰক আল্লাহৰ বাহিৰে আন কাৰো ওচৰত প্ৰাৰ্থনা নকৰে, ফৰিয়াদও নকৰে, তেওঁৰ বাহিৰে কাৰো ওপৰত তাৱাক্কুল নকৰে, কাৰো ওচৰত আশা নকৰে, কাৰো বাবে জবেহ নকৰে লগতে তেওঁৰ বাহিৰে কাৰোবাক কোনো ধৰণৰ ইবাদত উৎসৰ্গও নকৰে, বৰং আল্লাহৰ বাহিৰে যিসকলৰ ইবাদত কৰা হয়, সিহঁত আটাইকে অস্বীকাৰ কৰে আৰু একমাত্ৰ আল্লাহৰ পিনে প্ৰত্যৰ্পণ কৰে।

লক্ষ্য কৰক! লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ কিমান মহান, কিমান স্পষ্ট, কিমান দ্ব্যৰ্থহীন, কিন্তু আল্লাহ তাআলাৰ তাওফীকৰ বাহিৰে সেয়া অৰ্জন কৰা সম্ভৱ নহয়। একমাত্ৰ তেৱেঁই তাওফীকদাতা।

## লা-ইলা-হা ইল্লাল্লাহৰ সাক্ষী ভঙ্গকাৰী কাৰণসমূহ

আমি লা-ইলা-হা ইল্লাল্লাহৰ অৰ্থ জানিলো, যিটো বান্দাৰ ভিতৰত অৱশ্যই থকা জৰুৰী, তেতিয়াহে আল্লাহৰ ওচৰত এই কলিমা গ্ৰহণযোগ্য হ'ব। কলিমাৰ এইবোৰ অৰ্থ আৰু চৰ্ত বৰ গুৰুত্বপূৰ্ণ, যিবোৰ পালন কৰা প্ৰত্যেক মুছলিমৰ বাবে অতিকৈ জৰুৰী। কলিমা প্ৰসঙ্গত আৰু এটা বিষয় গুৰুত্বৰ সৈতে জনা জৰুৰী, যিটো কলিমা পৰিপন্থী বা ইছলাম ভঙ্গকাৰী বিষয় হিচাপে পৰিচিত, তেতিয়াহে কলিমাৰ অৰ্থ আৰু দাবী সম্পৰ্কে সতৰ্ক আৰু সচেতনতা বৃদ্ধি পাব।

কাৰণ, আল্লাহ তা‘আলাই তেওঁৰ কিতাবত মুমিনসকলৰ পথ, (যিসকলে কলিমাৰ অৰ্থ আৰু দাবীক বাস্তবায়ন কৰিছে) স্পষ্ট কৰিছে। আকৌ সিহঁতৰ পথও স্পষ্ট কৰিছে, যিসকলে তাৰ বিৰোধিতা কৰিছে। তাৰ পিছত জনাই দিছে সিহঁতৰ পৰিণতি আৰু ইহঁতৰো পৰিণতি, সিহঁতৰ আমল আৰু ইহঁতৰো আমল। লগতে বৰ্ণনা কৰিছে সেইসমূহ উপকৰণ, যি কাৰণে সিহঁতে সৌভাগ্যবান হৈছে, আৰু ইহঁত হৈছে হতভগা। আল্লাহ তা‘আলাই তেওঁৰ কিতাবত দুয়োটা পথেই স্পষ্ট কৰিছে, যেনে তেওঁ কৈছে,

﴿وَكَذَٰلِكَ نُفَصِّلُ ٱلۡأٓيَٰتِ وَلِتَسۡتَبِينَ سَبِيلُ ٱلۡمُجۡرِمِينَ ۝٥٥﴾ [الانعام: ٥٥]

“এইদৰেই আমি আয়াতসমূহ বিস্তাৰিত বৰ্ণনা কৰো৷ আৰু যাতে অপৰাধীসকলৰ পথ স্পষ্ট হৈ যায়”৷ [ছুৰা আল-আন‘আম, আয়াত: ৫৫]

আন ঠাইত তেওঁ কৈছে,

﴿وَمَن يُشَاقِقِ ٱلرَّسُولَ مِنۢ بَعۡدِ مَا تَبَيَّنَ لَهُ ٱلۡهُدَىٰ وَيَتَّبِعۡ غَيۡرَ سَبِيلِ ٱلۡمُؤۡمِنِينَ نُوَلِّهِۦ مَا تَوَلَّىٰ وَنُصۡلِهِۦ جَهَنَّمَۖ وَسَآءَتۡ مَصِيرًا ۝١١٥﴾ [النساء : ١١٥]

“আৰু যিয়ে হিদায়ত প্ৰকাশ পোৱাৰ পিছতো ৰাছুলৰ বিৰুদ্ধাচৰণ কৰে, আৰু মুমিনসকলৰ পথৰ বিপৰীত পথ অনুসৰণ কৰে, আমি তাক সেই পিনে উভতাই লৈ যাম যি ফালে সি উভতি যায় আৰু তাক প্ৰৱেশ কৰাম জাহান্নামত৷ আৰু আবাস হিচাপে ই বৰ নিকৃষ্ট স্থান”৷ [ছুৰা আন-নিছা, আয়াত: ১১৫]

পাপীষ্ঠসকলৰ পথ যিয়ে নাজানে, যাৰ ওচৰত সিহঁতৰ পথ স্পষ্ট নহয়, বেছি সম্ভৱ সি সিহঁতৰ গোমৰাহিত পতিত হ’ব৷ এই বাবেই আমিৰুল মুমিনীন ওমৰ ইবনুল খাত্তাব ৰাদিয়াল্লাহু আনহুৱে কৈছে,

«إنما تنقض عرى الإسلام عروة عروة، إذا نشأ في الإسلام من لم يعرف الجاهلية»

“ইছলামৰ একো একোটা ৰছী তেতিয়া বিচ্ছিন্ন হ’ব, যেতিয়া ইছলামৰ ভিতৰত সিহঁতৰ জন্ম হ’ব, যিসকলে জাহেলিয়াত কি বস্তু সেয়া নাজানিব”।

কোৰআন আৰু ছুন্নাহত বহুতো আয়াত আৰু হাদীছ আছে, যিবোৰে কঠিনভাৱে সতৰ্ক কৰিছে মুৰতাদ বা ইছলামৰ পৰা বিচ্ছিন্ন হোৱাৰ কৰ্মকাণ্ডক, সকলো প্ৰকাৰৰ শ্বিৰ্ক আৰু তাওহীদৰ কলিমা ভঙ্গকাৰী উপকৰণৰ পৰা৷ আহলে ইল্মসকলে ফিকাহৰ কিতাবত মুৰতাদ অধ্যায়ত কৈছে: মুছলিম ব্যক্তিয়ে যদি ঈমান ভঙ্গকাৰী এটা বা গোটেই কেইটা বস্তুতে লিপ্ত হয়, তেন্তে সি দ্বীনৰ পৰা বাহিৰ হৈ যাব, লা-ইলা-হা ইল্লাল্লাহৰ উচ্চাৰণে তাক কোনো উপকাৰ নকৰিব৷ কাৰণ, এই কলিমা, যিটো সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ যিকিৰ, ব্যক্তি এজনক তেতিয়া উপকাৰ কৰিব, যেতিয়া সি তাৰ চৰ্তসমূহ বাস্তবায়ন কৰিব আৰু তাৰ ভঙ্গকাৰী বিষয়ৰ পৰা আঁতৰত থাকিব।

ইয়াত কোনো সন্দেহ নাই যে, যদি কলিমা ভঙ্গকাৰী বিষয়বোৰ জনাৰ উদ্দেশ্য হয় এইবোৰ অনিষ্টৰ পৰা বাচি থকা আৰু ইয়াৰ মুছিবতৰ পৰা সুৰক্ষা লাভ কৰা তেন্তে ইয়াৰ কল্যাণ বহুত৷ প্ৰকৃততে শ্বিৰ্ক, কুফৰ, বাতিল আৰু তাৰ তৰিকাসমূহ যিয়ে জানে, তাৰ বাবে সেইবোৰৰ পৰা সতৰ্ক থকা আৰু আনক সতৰ্ক কৰা সহজ হয়, কোনোমতেই সি নিজৰ ঈমান ক্ষতিগ্ৰস্ত কৰাৰ সুযোগ চয়তানক নিদিয়ে, বৰং সত্যৰ প্ৰতি ঈমান আৰু মুহাব্বত বৃদ্ধি হয়, ভঙ্গকাৰী বস্তুৰ প্ৰতি বিদ্বেষ আৰু ঘৃণা তীব্ৰ হয়। ইয়াৰ বাহিৰে আৰু বহুতো উপকাৰ অৰ্জন হয়, যিবোৰ আল্লাহৰ বাহিৰে আন কোনেও নাজানে।

আল্লাহে বিচাৰে সত্য পথ স্পষ্ট হওঁক, যাতে সেইটো পছন্দকাৰীসকলে পছন্দ কৰে আৰু তাৰ অনুসাৰী হয়। আনহাতে তেওঁ বিচাৰে বাতিল পথও স্পষ্ট

হওঁক, যাতে সেইটোক ঘৃণাকাৰীসকলে ঘৃণা কৰে আৰু তাৰ পৰা বিৰত থাকে। কল্যাণৰ পথ জনা আৰু সেয়া বাস্তবায়ন কৰা যেনেকৈ জৰুৰী, তেনেকৈ জৰুৰী বেয়া পথ জনা আৰু তাৰ পৰা বিৰত থকা। ইমাম বুখাৰী আৰু মুছলিম ৰাহিমাহুল্লাহে বৰ্ণনা কৰিছে, হুযাইফাহ ৰাদিয়াল্লাহু 'আনহুৱে কৈছে, ছাহাবীসকলে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কল্যাণ সম্পৰ্কে সুধিছিল, কিন্তু মই প্ৰশ্ন কৰিছিলো অকল্যাণ সম্পৰ্কে, এই ভয়ত যে, যাতে ই মোক সংক্ৰমিত কৰিব নোৱাৰে"।[35]

এই বাবেই কোৱা হয়:

عرفت الشر لا للشر لكن لتوقِّيه          ومن لا يعرف الشر من الناس يقع فيه

"মই বেয়া সম্পৰ্কে পৰিচিত বেয়াৰ বাবে নহয়, বৰং তাৰ পৰা বাচি থাকিবলৈ, আৰু যিসকল মানুহে বেয়া চিনি নাপায়, সিহঁতেই তাত পতিত হয়"।

কলিমাৰ পৰিপন্থী বিষয় জনাৰ অৱস্থা যেতিয়া এনেকুৱা আৰু ইয়াৰ গুৰুত্ব যেতিয়া ইমান বেছি, তেতিয়া প্ৰত্যেক মুছলিমৰ ওপৰত ওৱাজিব এই কলিমা বিনষ্টকাৰী বস্তুবোৰ আত্মস্থ কৰা, যাতে তাৰ পৰা বাচি থকা সম্ভৱ হয়।

কেইবাটাও কাৰণত কলিমা ভঙ্গ হয়, যাৰ বৰ্ণনা পূৰ্বে অতিবাহিত হৈছে, কিন্তু এইবোৰ ভঙ্গকাৰীৰ পৰা আৰু ভয়ঙ্কৰ কাৰণ হৈছে দহটা, যিবোৰ আহলে ইল্মসকলে বৰ্ণনা কৰিছে।[36] তলত সংক্ষিপ্তভাৱে সেয়া উল্লেখ কৰা হ'ল, যাতে তাৰ পৰা নিৰাপদ থকা আৰু আনক নিৰাপদ ৰখা সম্ভৱ হয়।

---

[35] ছহীহ বুখাৰী, হাদীছ নং ৩৬০৬; ছহীহ মুছলিম, হাদীছ নং ১৮৪৭

[36] চাওঁক: দুৰাৰুচ ছানিয়্যাহ ফিল আজৱিবাতিন নাজদিয়্যাহ: (২/২৩২)

**প্ৰথম কাৰণ:** ইবাদতৰ ক্ষেত্ৰত আল্লাহৰ লগত আনক অংশীদাৰ স্থাপন কৰা ঈমান ভঙ্গৰ কাৰণ। যেনে, আল্লাহ তা'আলাই কৈছে,

﴿ إِنَّ ٱللَّهَ لَا يَغۡفِرُ أَن يُشۡرَكَ بِهِۦ وَيَغۡفِرُ مَا دُونَ ذَٰلِكَ لِمَن يَشَآءُۚ ﴾ [النساء : ١١٦]

"নিশ্চয় আল্লাহে তেওঁৰ লগত অংশীদাৰ স্থাপন কৰাক কেতিয়াও ক্ষমা নকৰে আৰু ইয়াৰ বাহিৰে তেওঁ যিটো ইচ্ছা ক্ষমা কৰি দিয়ে"। [ছুৰা আন-নিছা, আয়াত: **১১৬**]

আন ঠাইত আল্লাহ তাআলাই কৈছে,

﴿إِنَّهُۥ مَن يُشۡرِكۡ بِٱللَّهِ فَقَدۡ حَرَّمَ ٱللَّهُ عَلَيۡهِ ٱلۡجَنَّةَ وَمَأۡوَىٰهُ ٱلنَّارُۖ وَمَا لِلظَّٰلِمِينَ مِنۡ أَنصَارٖ ﴾ [المائدة: ٧٢]

"নিশ্চয় যিয়ে আল্লাহৰ লগত অংশীদাৰ স্থাপন কৰে, তাৰ ওপৰত আল্লাহে জান্নাত হাৰাম কৰি দিছে আৰু তাৰ ঠিকনা জাহান্নাম। আৰু যালিমসকলৰ বাবে কোনো সহায়কাৰী নাই"। [ছুৰা আল-মায়িদা, আয়াত: ৭২]

কিছুমান শ্বিৰ্কীয়া ইবাদত, যেনে মৃত ব্যক্তিৰ ওচৰত দুআ কৰা, সিহঁতৰ ওচৰত ফৰিয়াদ কৰা, কিবা বিচৰা আৰু সিহঁতৰ বাবে মান্নত ও জবেহ কৰা ইত্যাদি।

**দ্বিতীয় কাৰণ:** আল্লাহ আৰু বান্দাৰ মাজত মধ্যস্থতাকাৰী নিৰ্ধাৰণ কৰা, সিহঁতক আহ্বান কৰা, সিহঁতৰ ওচৰত ছুপাৰিছ তলব কৰা আৰু সিহঁতৰ ওপৰত তাৱাক্কুল কৰা ঈমান ভঙ্গৰ কাৰণ। আল্লাহ তা'আলাই কৈছে,

﴿وَيَعۡبُدُونَ مِن دُونِ ٱللَّهِ مَا لَا يَضُرُّهُمۡ وَلَا يَنفَعُهُمۡ وَيَقُولُونَ هَٰٓؤُلَآءِ شُفَعَٰٓؤُنَا عِندَ ٱللَّهِۚ قُلۡ أَتُنَبِّـُٔونَ ٱللَّهَ بِمَا لَا يَعۡلَمُ فِي ٱلسَّمَٰوَٰتِ وَلَا فِي ٱلۡأَرۡضِۚ سُبۡحَٰنَهُۥ وَتَعَٰلَىٰ عَمَّا يُشۡرِكُونَ ﴾

[يونس : ١٨]

“আৰু সিহঁতে আল্লাহৰ বাহিৰে এনে বস্তুৰ ইবাদত কৰে, যিয়ে সিহঁতৰ ক্ষতিও কৰিব নোৱাৰে আৰু উপকাৰো কৰিব নোৱাৰে। আৰু সিহঁতে কয়, ‘এওঁলোক আল্লাহৰ ওচৰত আমাৰ ছুপাৰিছকাৰী’। কোৱা, ‘তোমালোকে আল্লাহক আকাশসমূহ আৰু পৃথিৱীত থকা এনে কোনো বিষয়ে সংবাদ দিয়া নেকি যিটো তেওঁ অৱগত নহয়’? তেওঁ পৱিত্ৰ আৰু সিহঁতে যি অংশীদাৰ স্থাপন কৰে, তাৰ পৰা তেওঁ বহু ঊৰ্দ্ধত”। [ছুৰা ইউনুছ, আয়াত: ১৮]

**তৃতীয় কাৰণ:** মুশ্বৰিকসকলক কাফিৰ বুলি গণ্য নকৰা আৰু সিহঁতৰ কুফুৰী সম্পৰ্কে সন্দেহ পোষণ কৰা ঈমান ভঙ্গৰ কাৰণ।

**চতুৰ্থ কাৰণ:** নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শৰ বাহিৰে আন কাৰো আদৰ্শক পৰিপূৰ্ণ বুলি বিশ্বাস কৰা অথবা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ফয়চালাতকৈ আন কাৰো ফয়চালা উত্তম বুলি ভৱা ঈমান ভঙ্গৰ কাৰণ, যিসকলে তাগুতৰ ফয়চালাক প্ৰাধান্য দিয়ে সিহঁতে এই শ্ৰেণীভুক্ত।

**পঞ্চম কাৰণ:** নবী চাল্লাল্লাহু আলাইহি অছাল্লামে লৈ অহা দ্বীনৰ কোনো বিধানক অপছন্দ কৰা ঈমান ভঙ্গৰ কাৰণ, যদিও সি তাৰ ওপৰত আমল কৰে। আল্লাহ তা‘আলাই কৈছে,

﴿ذَٰلِكَ بِأَنَّهُمْ كَرِهُواْ مَآ أَنزَلَ ٱللَّهُ فَأَحْبَطَ أَعْمَٰلَهُمْ ٩﴾ [محمد : ٩]

“সেয়া এই বাবে যে, আল্লাহে যি অৱতীৰ্ণ কৰিছে সিহঁতে সেয়া অপছন্দ কৰে, এতেকে তেওঁ সিহঁতৰ আমলসমূহ বিনষ্ট কৰি দিছে”। [ছুৰা মুহাম্মদ, আয়াত: ৯]

**ষষ্ঠ কাৰণ:** ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে লৈ অহা দ্বীনৰ কোনো বিধান অথবা তাত প্ৰমাণিত ছোৱাব বা শাস্তি লৈ ব্যঙ্গ কৰা ঈমান ভঙ্গৰ কাৰণ। আল্লাহ তা‘আলাই কৈছে,

﴿وَلَئِن سَأَلۡتَهُمۡ لَيَقُولُنَّ إِنَّمَا كُنَّا نَخُوضُ وَنَلۡعَبُۚ قُلۡ أَبِٱللَّهِ وَءَايَٰتِهِۦ وَرَسُولِهِۦ كُنتُمۡ تَسۡتَهۡزِءُونَ ٦٥ لَا تَعۡتَذِرُواْ قَدۡ كَفَرۡتُم بَعۡدَ إِيمَٰنِكُمۡۚ ٦٦﴾ [التوبة : 66]

“আৰু যদি তুমি সিহঁতক সোধা, অৱশ্যই সিহঁতে ক’ব, ‘আমি আলাপ-আলোচনা আৰু খেল-ধেমালীহে কৰিছিলো। কোৱা, ‘আল্লাহ, তেওঁৰ আয়াতসমূহ আৰু তেওঁৰ ৰাছুলৰ লগত তোমালোকে বিদ্রূপ কৰিছিলা? তোমালোকে ওজৰ-আপত্তি দাঙি নধৰিবা, তোমালোকে তোমালোকৰ ঈমানৰ পিছত অৱশ্যই কুফুৰী কৰিছা”। [ছুৰা আত-তাওবাহ, আয়াত: ৬৫-৬৬]

**সপ্তম কাৰণ:** যাদু আৰু যাদুৰ অন্তৰ্ভূক্ত ছাৰফ আৰু ‘আতফ (আাকৰ্ষণ বা বিকৰ্ষণ) ঈমান ভঙ্গৰ কাৰণ। যি যাদু কৰে বা যাদুৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰে সি কাফিৰ। কাৰণ, আল্লাহ তা‘আলাই কৈছে,

﴿وَمَا يُعَلِّمَانِ مِنۡ أَحَدٍ حَتَّىٰ يَقُولَآ إِنَّمَا نَحۡنُ فِتۡنَةٞ فَلَا تَكۡفُرۡۖ ١٠٢﴾ [البقرة: ١٠٢]

“আৰু সিহঁতে কাকো শিক্ষা দিয়া নাছিল যেতিয়া লৈকে এই কথা নকৈছিল যে, ‘আমি কেৱল এটা পৰীক্ষা। এতেকে তোমালোকে কুফুৰী নকৰিবা”। [ছুৰা আল-বাকাৰা, আয়াত: ১০২]

**অষ্টম কাৰণ:** মুশ্বৰিকসকলৰ পক্ষ গ্ৰহণ কৰা আৰু মুছলিমসকলৰ বিপক্ষে সিহঁতক সহায় কৰা ঈমান ভঙ্গৰ কাৰণ। আল্লাহ তা‘আলাই কৈছে,

﴿ وَمَن يَتَوَلَّهُم مِّنكُمۡ فَإِنَّهُۥ مِنۡهُمۡۗ إِنَّ ٱللَّهَ لَا يَهۡدِي ٱلۡقَوۡمَ ٱلظَّٰلِمِينَ ٥١ ﴾ [المائدة: ٥١]

“যিয়ে সিহঁতৰ লগত বন্ধুত্ব কৰিব, সি নিশ্চয় সিহঁতৰ অন্তৰ্ভূক্ত। নিশ্চয় আল্লাহে যালিম সম্প্ৰদায়ক হিদায়ত নিদিয়ে”। [ছুৰা আল-মায়িদা, আয়াত: ৫১]

**নৱম কাৰণ:** এই বিশ্বাস পোষণ কৰাও ঈমান ভঙ্গৰ কাৰণ যে, কিছুমান মানুহৰ বাবে মুহাম্মাদ চাল্লাল্লাহু আলাইহি অছাল্লামে লৈ অহা দ্বীন পালন নকৰাৰ অৱকাশ আছে। আল্লাহ তা‘আলাই কৈছে,

﴿وَمَن يَبۡتَغِ غَيۡرَ ٱلۡإِسۡلَٰمِ دِينٗا فَلَن يُقۡبَلَ مِنۡهُ وَهُوَ فِي ٱلۡأٓخِرَةِ مِنَ ٱلۡخَٰسِرِينَ ٨٥﴾ [ال عمران: ٨٥]

“আৰু যিয়ে ইছলামৰ বাহিৰে আন কোনো দ্বীন বিচাৰে তাৰ পৰা সেয়া কেতিয়াও গ্ৰহণ কৰা নহ’ব আৰু সি আখিৰাতত ক্ষতিগ্ৰস্তসকলৰ অন্তৰ্ভূক্ত হ’ব”। [ছুৰা আলে ইমৰান, আয়াত: ৮৫]

**দশম কাৰণ:** আল্লাহৰ দ্বীনৰ পৰা বিমুখ থকা কুফুৰী, ঈমান ভঙ্গৰ কাৰণ। যিয়ে আল্লাহৰ দ্বীন নিশিকে আৰু তাৰ ওপৰত আমলো নকৰে সিও কাফিৰ। আল্লাহ তা‘আলাই কৈছে,

﴿وَمَنۡ أَظۡلَمُ مِمَّن ذُكِّرَ بِـَٔايَٰتِ رَبِّهِۦ ثُمَّ أَعۡرَضَ عَنۡهَآۚ إِنَّا مِنَ ٱلۡمُجۡرِمِينَ مُنتَقِمُونَ ٢٢﴾ [السجدة : ٢٢]

“সেই ব্যক্তিতকৈ ডাঙৰ যালিম আৰু কোন হ’ব পাৰে, যাক তেওঁৰ প্ৰতিপালকৰ আয়াতসমূহৰ মাধ্যমত উপদেশ দিয়াৰ পিছতো তাৰ পৰা মুখ ঘুৰাই লয়। নিশ্চয় আমি অপৰাধীসকলৰ পৰা প্ৰতিশোধ গ্ৰহণকাৰী”। [ছুৰা আচ-ছাজদাহ, আয়াত: ২২]

এই দহটা বিষয় লা-ইলা-হা ইল্লাল্লাহ, অৰ্থাৎ তাওহীদৰ কলিমা ভঙ্গকাৰী। যি ব্যক্তি এই দহটাৰ পৰা কোনো এটাত পতিত হ'ব তাৰ ঈমান শেষ হ'ব। এনে ব্যক্তি লা-ইলা-হা ইল্লাল্লাহৰ দ্বাৰা উপকৃত নহ'ব। আহলে-ইল্মসকলে আৰু স্পষ্টকৈ কৈছে যে, এইবোৰ কাম ধেমালীতেই হওঁক নাইবা ইচ্ছাকৃত ভাৱেই কৰক অথবা ভয়তেই কৰক কোনো পাৰ্থক্য নাই, কিন্তু যাক বাধ্য কৰা হ'ব তাৰ বাহিৰে। ঈমান ভঙ্গকাৰী প্ৰত্যেকটো বস্তু বৰ ভয়ানক, আমাৰ সমাজত এইবোৰ সচৰাচৰ সংঘটিত হৈ থাকে। মুছলিমসকলৰ বাবে এইবোৰৰ পৰা দূৰৈত থকা আৰু কুফৰীৰ আশংকাত ভীত হৈ থকা জৰুৰী। আমি আল্লাহৰ ওচৰত তেওঁৰ ক্ৰোধ আৰু শাস্তিৰ উপকৰণৰ পৰা আশ্ৰয় বিচাৰো, তেওঁ আমাক সকলোকে তেওঁৰ পছন্দনীয় বস্তুৰ তাওফীক দান কৰক, আমাক আৰু গোটেই মুছলিম উম্মতক তেওঁৰ সঠিক পথৰ হিদায়ত দান কৰক। নিশ্চয় তেওঁ সৰ্বশ্ৰোতা, কবুলকাৰী আৰু অতি নিকটৱৰ্তী।

## বিশেষ্য বা সৰ্বনাম যিয়েই নহওঁক কিয় এক শব্দৰ যিকিৰ বৈধ নহয়

আমি ইয়াৰ আগত লা-ইলা-হা ইল্লাল্লাহৰ ফজীলত সম্পৰ্কে জানিলো। আৰু জানিলো যে এইটোৱেই সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ যিকিৰ, এই বাক্যৰ দ্বাৰাই স্মৰণকাৰীসকলে নিজ প্ৰতিপালকক স্মৰণ কৰে। ইয়াৰ শব্দ কম কিন্তু অৰ্থ বেছি, মানুহ ইয়াৰ মুখাপেক্ষী, বৰং আহাৰ, পানীয়, পোছাক-পৰিধান আৰু অন্যান্য বস্তুতকৈ ইয়াৰ প্ৰয়োজন বহুত বেছি। গোটেই পৃথিৱীৰ বাবেই ইয়াৰ প্ৰয়োজন, যাৰ কোনো শেষ নাই, সেয়ে কলিমাৰ স্মৰণ আটাইতকৈ বেছি হয়। ইয়াৰ স্মৰণ আটাইতকৈ সহজ, অৰ্থৰ দিশৰ পৰা মহান, মৰ্যদাৰ বিবেচনাত শ্ৰেষ্ঠ! ইয়াৰ পিছতো কিছুমান মুৰ্খই কলিমাৰ পৰা মুখ ঘুৰাই লয় আৰু বিদআতি যিকিৰত প্ৰত্যাবৰ্তন কৰে, মানুহে তৈয়াৰ কৰা যিকিৰত মগ্ন হয়, যাৰ প্ৰমাণ কোৰআন আৰু ছুন্নাহত নাই, ছালাফসকলৰ মাজৰ কোনো মনীষীৰ পৰাও প্ৰমাণ নাই”।[37]

এটা উদাহৰণ: ছুফীসকলৰ কিছুমান তৰিকাত যিকিৰৰ সময়ত কেৱল এটা নাম বা বিশেষ্য উচ্চাৰণ কৰা হয়। যেনে, (الله الله), আল্লাহ আল্লাহ বাৰে বাৰে কোৱা। আকৌ সিহঁতৰ কিছুমানে আল্লাহৰ নাম বা বিশেষ্যৰ পৰিবৰ্তে সৰ্বনামৰে যিকিৰ কৰে। যেনে, (هو) হু, হু, বাৰে বাৰে কোৱা। সিহঁতৰ কিছুমানে আৰু সীমালঙ্ঘন কৰি কয় যে, লা-ইলা-হা ইল্লাল্লাহ সাধাৰণ মানুহৰ যিকিৰ, আৰু এটা শব্দ অৰ্থাৎ কেৱল আল্লাহ আল্লাহ কোৱা বিশেষ ব্যক্তিৰ যিকিৰ, আৰু বিশেষতকৈ বিশেষ ব্যক্তিৰ যিকিৰ হৈছে (هو) হু, হু, সৰ্বনাম। আকৌ সিহঁতৰ কিছুমানে এনেকৈও কয়: লা-ইলা-হা ইল্লাল্লাহ মুমিনৰ যিকিৰ, আৰু (الله)

[37] চাওঁক: ফাতহুল মাজীদ: লিশ্ব শ্বাইখ আব্দুৰ ৰহমান: (পৃ. ৪৫)

আল্লাহৰ নাম ‘আৰিফ বিল্লাহৰ যিকিৰ অৰ্থাৎ আল্লাহৰ পৰিচয় অৰ্জনকাৰী ব্যক্তিৰ যিকিৰ, আৰু (هو) হু, সিহঁতকৈও উন্নতি সাধনকাৰী মুহাক্কিকৰ যিকিৰ। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সৰ্বোত্তম যি যিকিৰৰ কথা কৈছে, সেই তাওহীদৰ কলিমাৰ ওপৰত সিহঁতে এটা শব্দৰ যিকিৰ অথবা সৰ্বনামৰ যিকিৰক প্ৰাধান্য দিয়ে, অথচ কেৱল আমাৰ নবীয়েই নহয়, পূৰ্বৱৰ্তী নবীসকলেও যি যিকিৰ কৰিছে তাৰ ভিতৰত কলিমাৰ যিকিৰ সৰ্বোত্তম। এই বিষয়ে কিছুমান হাদীছ আমি ইতিপূৰ্বে উল্লেখ কৰিছো। এটা শব্দৰ বিশেষ্য হওঁক বা সৰ্বনাম কোৰআন আৰু ছুন্নাহত ইয়াৰ যিকিৰ উল্লেখ নাই, আৰু ছালাফসকলৰ কোনো আলিমৰ পৰাও বৰ্ণিত নাই, কিন্তু পৰবৰ্তী সময়ত কিছুমান গোমৰাহ (পথভ্ৰষ্ট) লোকে দলীল প্ৰমাণ নোহোকৈয়ে ইয়াৰ প্ৰচলন ঘটাইছে।

শ্বাইখুল ইছলাম ইবনে তাইমিয়াহ ৰাহিমাহুল্লাহে বিদ‘আতী যিকিৰকাৰীসকলৰ দলীল চৰমভাৱে খণ্ডন কৰিছেন। যিকিৰৰ এই বিদ‘আতক প্ৰচাৰ আৰু প্ৰমাণ কৰাৰ বাবে সিহঁতে যি দাঙি ধৰে তাৰ বাতুলতা তেওঁ প্ৰমাণ কৰিছে। তেওঁ কৈছে, “তৰিকতপন্থী কিছুমান লেখকে লিখিছে ‘আল্লাহ’ শব্দৰ যিকিৰ অতি মহান। ইয়াৰ দলীল হিচাপে পেচ কৰিছে কেতিয়াবা অনুভূতি, কেতিয়াবা নিজস্ব মত আকৌ কেতিয়াবা মিছা বৰ্ণনা। যেনে, সিহঁতৰ কিছুমানে কৈছে, আবু তালিবক নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে, “আল্লাহ, আল্লাহ, আল্লাহ’ কোৱা। তেওঁ আল্লাহ আল্লাহ তিনিবাৰ উচ্চাৰণ কৰিলে, তাৰ পিছত আলীক ইয়াৰ নিৰ্দেশ দিলে, আলীও সেয়া তিনিবাৰ ক’লে”। এইটো সকলো আলিমৰ মতেই জাল হাদীছ, আনহাতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যি যিকিৰৰ নিৰ্দেশ দিছিল, তাৰ শীৰ্ষত আছে: লা-ইলা-হা ইল্লাল্লাহ যিকিৰ। তেওঁৰ খুৰা আবু তালিবৰ মৃত্যুৰ সময়ত তেওঁ এই কলিমাই পেচ কৰিছিল, তেওঁ কৈছিল:

«يَا عَمِّ، قُلْ: لَا إِلَهَ إِلَّا اللَّهُ كَلِمَةً أَشْهَدُ لَكَ بِهَا عِنْدَ اللهِ»

“হে মোৰ খুৰা, লা-ইলা-হা ইল্লাল্লাহ এটা বাক্য কওঁক, মই আল্লাহৰ সন্মুখত আপোনাৰ বাবে ইয়াৰ কাৰণে সাক্ষ্য দিম”।[38]

আন এটা হাদীছত কৈছে,

«إِنِّي لأَعْلَمُ كَلِمَةً لا يَقُولُهَا عَبْدٌ عِنْدَ مَوْتِهِ إِلا وَجَدَ رُوحُهُ لَهَا رَوْحًا»

“মই এনেকুৱা এটা বাক্য জানো, মৃত্যুৰ সময়ত যি বান্দাই এইটো পঢ়িব, নিশ্চয় তাৰ অন্তৰে ইয়াৰ (প্ৰশান্তি) সুগন্ধি পাব”।[39]

আন এটা হাদীছত তেওঁ কৈছে,

«مَنْ كَانَ آخِرُ كَلَامِهِ لَا إِلَهَ إِلَّا اللَّهُ، دَخَلَ الْجَنَّةَ»

“যাৰ সৰ্বশেষ বাক্য হ’ব লা-ইলা-হা ইল্লাল্লাহ, সি জান্নাতত প্ৰৱেশ কৰিব”।[40]

তেওঁ আৰু কৈছে,

«أُمِرْتُ أَنْ أُقَاتِلَ النَّاسَ حَتَّى يَشْهَدُوا أَنْ لَا إِلَهَ إِلَّا اللَّهُ وَأَنَّ مُحَمَّدًا رَسُولُ اللَّهِ، فَإِذَا فَعَلُوا ذَلِكَ، عَصَمُوا مِنِّي دِمَاءَهُمْ، وَأَمْوَالَهُمْ إِلَّا بِحَقِّهَا، وَحِسَابُهُمْ عَلَى اللَّهِ»

“মোক নিৰ্দেশ দিয়া হৈছে যে, মই যেন মানুহৰ লগত যুদ্ধ কৰো, যেতিয়া লৈকে সিহঁতে এই কথা নকয়: لَا إِلَهَ إِلَّا اللَّهُ وَأَنَّ مُحَمَّدًا رَسُولُ اللَّهِ (আল্লাহৰ বাহিৰে আন

[38] ছহীহ বুখাৰী, হাদীছ নং ৩৮৮৪; ছহীহ মুছলিম, হাদীছ নং ২৪

[39] আহমদ: (১/২৮); ইবনে মাজাহ, হাদীছ নং ৩৭৯৫)

[40] আহমদ: (৫/২৪৭); আবু দাউদ, হাদীছ নং ৩১১৬; ইৰৱাউল গালীল (হাদীছ নং ৬৮৭) গ্ৰন্থত আলবানীয়ে হাদীছটোক হাছান বুলি কৈছে।

কোনো সত্য ইলাহ নাই আৰু মুহাম্মাদ আল্লাহৰ ৰাছুল) যেতিয়া এইটো সিহঁতে বাস্তবায়ন কৰিব, মোৰ পৰা সিহঁতৰ তেজ আৰু সম্পদ নিৰাপদ কৰি লব, কিন্তু কলিমাৰ অধিকাৰী ব্যতীত আৰু সিহঁতৰ হিচাপ নিকাচ আল্লাহৰ ওপৰত"।[41]

এই বিষয়ে একাধিক হাদীছ আছে"।

ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে আৰু কৈছে, "এটা শব্দৰ যিকিৰ কোনো অৱস্থাতেই বৈধ নহয়, চৰীয়তত এনে কোনো দলীল নাই যাৰ দ্বাৰা এটা শব্দৰ যিকিৰ মুস্তাহাব বুলি প্ৰমাণিত হয়। কিছুমান মূৰ্খ আবিদৰ ধাৰণা মতে, আল্লাহ তা'আলাৰ এই বাণী: قُلِ ٱللَّهُۖ ثُمَّ ذَرۡهُمۡ "কোৱা, আল্লাহ, তাৰ পিছত সিহঁতক ত্যাগ কৰা"[42] ইয়াত উদ্দেশ্য আল্লাহৰ নাম বা বিশেষ্য। এইটো সিহঁতৰ স্পষ্ট ভুল, যদি সিহঁতে আয়াতৰ পূৰ্বৰ অংশসহ চিন্তা কৰে অৱশ্যই সিহঁতৰ ওচৰত ভুলটো স্পষ্ট হ'ব। কাৰণ, আল্লাহ তা'আলাই কৈছে:

﴿وَمَا قَدَرُواْ ٱللَّهَ حَقَّ قَدۡرِهِۦٓ إِذۡ قَالُواْ مَآ أَنزَلَ ٱللَّهُ عَلَىٰ بَشَرٖ مِّن شَيۡءٖۗ قُلۡ مَنۡ أَنزَلَ ٱلۡكِتَٰبَ ٱلَّذِي جَآءَ بِهِۦ مُوسَىٰ نُورٗا وَهُدٗى لِّلنَّاسِۖ تَجۡعَلُونَهُۥ قَرَاطِيسَ تُبۡدُونَهَا وَتُخۡفُونَ كَثِيرٗاۖ وَعُلِّمۡتُم مَّا لَمۡ تَعۡلَمُوٓاْ أَنتُمۡ وَلَآ ءَابَآؤُكُمۡۖ قُلِ ٱللَّهُۖ ثُمَّ ذَرۡهُمۡ فِي خَوۡضِهِمۡ يَلۡعَبُونَ ٩١﴾ [الانعام: ٩١]

"আৰু সিহঁতে আল্লাহক যথাৰ্থ সন্মান দিয়া নাই, যেতিয়া সিহঁতে কৈছে, আল্লাহে কোনো মানুহৰ ওপৰত একোৱেই নাযিল কৰা নাই। কোৱা, কোনে নাযিল কৰিছিল সেই কিতাব, যিটো মুছাই লৈ আহিছিল মানুহৰ বাবে জ্যোতি আৰু পথ নিৰ্দেশস্বৰূপ, তোমালোকে সেয়া বিভিন্ন কাগজত লিখি ৰাখিছিলা, তোমালোকে সেয়া প্ৰকাশ কৰিছিলা আৰু বহু অংশ গোপনও ৰাখিছিলা, আৰু তোমালোকক

[41] ছহীহ বুখাৰী, হাদীছ নং ২৫; ছহীহ মুছলিম, হাদীছ নং ২২

[42] ছুৰা আল-আন'আম, আয়াত: ৯১

সেই শিক্ষা দিয়া হৈছিল যিটো তোমালোকে জনা নাছিলা আৰু তোমালোকৰ পিতৃপুৰুষসকলেও জনা নাছিল’? কোৱা, আল্লাহ। তাৰ পিছত সিহঁতক এৰি দিয়া, সিহঁতে সিহঁতৰ ক্রীড়ামূলক সমালোচনাত খেলি থাকক”। [ছুৰা আল-আন‘আম, আয়াত: ৯১]

অৰ্থাৎ কোৱা: (“আল্লাহে”, সেই কিতাব নাযিল কৰিছিল যিটো মুছাই লৈ আহিছিল)। এইটো উদ্দেশ্য (মুবতাদা) আৰু বিধেয় (খবৰ) দুটা অংশ মিলি বিশেষ্যবাচক পূৰ্ণবাক্য। ইয়াত উদ্দেশ্য বা মুবতাদা হৈছে ‘আল্লাহ’ শব্দ, আৰু বিধেয় বা খবৰ হৈছে ‘সেই কিতাব নাযিল কৰিছিল যিটো মুছাই লৈ আহিছিল’ উহ্য বাক্য। উহ্য খবৰটো পূৰ্বৰ প্ৰশ্নৰ পৰাই বুজা যায়। এই ধৰণৰ উহ্য বাক্য আৰবী আৰু অন্যান্য ভাষাত সচৰাচৰ ব্যৱহাৰ হৈ থাকে, যদি বাক্যৰ এটা অংশই আন এটা অংশক বুজাবলৈ যথেষ্ট হয়”।

ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে এই ধৰণৰ বহুতো উদাহৰণ দাঙি ধৰিছে, এটা পৰ্যায়ত তেওঁ কৈছে, “চৰীয়তৰ দলীলৰ পৰা প্ৰমাণিত হ’ল যে, কেৱল আল্লাহ আল্লাহ যিকিৰ মুস্তাহাব নহয়, অৰ্থাৎ এটা শব্দৰ যিকিৰ, যিটো পূৰ্ণ অৰ্থ প্ৰকাশত যথেষ্ট নহয়। এইদৰে বিবেকৰ ওচৰতো এই জাতীয় যিকিৰ প্ৰশ্নবিদ্ধ, কাৰণ এটা নামে ঈমান আৰু কুফৰ একোৱেই প্ৰমাণ নকৰে। আৰু হিদায়ত আৰু গোমৰাহী, ইল্ম আৰু মূৰ্খতাও প্ৰমাণ নকৰে...”।

ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে আৰু কৈছে, “এই বাবেই আৰবী আৰু অন্যান্য ভাষাৰ সকলো পণ্ডিত একমত যে, এটা শব্দ কৈ চুপ থকা ঠিক নহয়, যিটো পূৰ্ণ বাক্য আৰু উপকাৰী কথা নহয়। এই বাবেই এজন আৰবীয়ানে যেতিয়া কোনো এজন মুয়াজ্জিনক এই বুলি কওঁতে শুনিলে:

أشهد أن محمدا رسولَ اللهِ

(আশ্ব-হাদু আন্না মুহাম্মাদান ৰাছুলাল্লাহ) তেওঁ ক'লে: এওঁ কি কৰিলে?

কাৰণ, মুয়াজ্জিনে যেতিয়া رسولَ শব্দত ফাতাহ (জবৰ) দিছিল, তেতিয়া সেইটো আগৰ বিশেষ্যৰ বিশেষণ হৈছিল, আৰু বিশেষণে বিশেষ্যক পূৰ্ণ কৰে, বাক্যৰ দ্বিতীয় অংশ পূৰ্ণ নকৰে, যিটোৰ বাহিৰে বাক্য পূৰ্ণ নহয়। এই বাবে তেওঁ পৰবৰ্তী বাক্য (বিধেয়) অনুসন্ধান কৰিছে। কাৰণ, মুয়াজ্জিনে মুবতাদা (উদ্দেশ্য) কৈছে, কিন্তু খবৰ (বিধেয়) কোৱা নাছিল, সেয়ে বাক্যটো পূৰ্ণ হোৱা নাছিল। এতেকে, এজন ব্যক্তিয়ে যদি আল্লাহ শব্দটো হেজাৰ বাৰো পঢ়ে তথাপিও সি মুমিন নহ'ব, কোনো ছোৱাবও নাপাব, আৰু জান্নাতৰো হকদাৰ নহ'ব। কাৰণ, প্ৰত্যেক ধৰ্মৰ লোকেই আল্লাহ শব্দটো উচ্চাৰণ কৰে, তেওঁৰ তাওহীদ স্বীকাৰ কৰক বা নকৰক। আল্লাহে আমাক তেওঁৰ নাম স্মৰণ কৰাৰ নিৰ্দেশ দি কৈছে,

﴿فَكُلُوا۟ مِمَّآ أَمۡسَكۡنَ عَلَيۡكُمۡ وَٱذۡكُرُوا۟ ٱسۡمَ ٱللَّهِ عَلَيۡهِۖ ۝٤﴾ [المائدة: ٤]

"এতেকে তোমালোকে তাৰ পৰা খোৱা, যিটো তোমালোকৰ বাবে ধৰি আনিছে আৰু তাত তোমালোকে আল্লাহৰ নাম স্মৰণ কৰা"। [ছুৰা আল-মায়িদা, আয়াত: ৪]

তেওঁ আৰু কৈছে,

﴿وَلَا تَأۡكُلُوا۟ مِمَّا لَمۡ يُذۡكَرِ ٱسۡمُ ٱللَّهِ عَلَيۡهِ ۝١٢١﴾ [الانعام: ١٢١]

"আৰু তোমালোকে তাৰ পৰা আহাৰ নকৰিবা, যাৰ ওপৰত আল্লাহৰ নাম উচ্চাৰণ কৰা হোৱা নাই"। [ছুৰা আল-আন'আম, আয়াত: ১২১]

তেওঁ আৰু কৈছে,

﴿سَبِّحِ ٱسۡمَ رَبِّكَ ٱلۡأَعۡلَى ۝١﴾ [الاعلى: ١]

“তুমি তোমাৰ সুমহান ৰবৰ তাছবীহ পাঠ কৰা”। [ছুৰা আল-‘আলা, আয়াত: ১]

তেওঁ আৰু কৈছে,

﴿ فَسَبِّحۡ بِٱسۡمِ رَبِّكَ ٱلۡعَظِيمِ ۝٧٤ ﴾ [الواقعة: ٧٤]

“এতেকে, তোমাৰ মহান ৰবৰ নামত তাছবীহ পাঠ কৰা”। [ছুৰা আল-ওৱাকি‘য়াহ, আয়াত: ৭৪] ইত্যাদি আয়াতত আল্লাহৰ নাম পূৰ্ণ বাক্যৰ দ্বাৰা স্মৰণ কৰাৰ কথা কোৱা হৈছে। যেনে, ক’ব بسم الله অথবা ক’ব سبحان ربي الأعلى অথবা ক’ব سبحان ربي العظيم ইত্যাদি বাক্য। কেতিয়াও এটা শব্দৰ উচ্চাৰণ কৰাৰ বৈধতা প্ৰদান কৰা হোৱা নাই, এইদৰে কোনো নিৰ্দেশও পালন কৰা হোৱা নাই। আল্লাহ শব্দৰ দ্বাৰা চিকাৰ কৰিলে চিকাৰ হালাল নহয়, আৰু জবেহকৃত প্ৰাণীও হালাল নহয়, আৰু আন কোনো বস্তুও হালাল নহয়”।

তাৰ পিছত ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে কৈছে, “ইয়াৰ পৰা প্ৰমাণ হ’ল যে, এটা শব্দ উচ্চাৰণ কৰা মুস্তাহাব নহয়, কেনেকৈ সেইটো বিশেষ ব্যক্তিৰ যিকিৰ হ’ব পাৰে? তাতোকৈ বহু দূৰৈত সৰ্বনামৰ (هو هو) যিকিৰ কৰাৰ বৈধতা। কাৰণ, কেৱল সৰ্বনামে নিজস্ব কোনো অৰ্থই প্ৰকাশ নকৰে, বৰং সৰ্বনাম যেনেকৈ ব্যাখ্যা কৰা হয় সেইটো তাৰেই অৰ্থ প্ৰকাশ কৰে। এতেকে, বক্তাৰ ইচ্ছা আৰু নিয়তৰ ওপৰত সৰ্বনাম নিৰ্ভৰশীল”।[43]

ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে আৰু কৈছে, “এটা শব্দৰ যিকিৰ ছুন্নাহ মোতাবিক নহয়, বৰং বিদ‘আতৰ অন্তৰ্ভূক্ত আৰু চয়তানী গোমৰাহীৰ নিকটতম...”।

[43] মাজমুউল ফাতাৱা: (১০/৫৫৬-৫৬৫)

তাৰ পিছত ইবনে তাইমিয়্যাহ ৰাহিমাহুল্লাহে কৈছে, “আল্লাহৰ যিকিৰৰ ক্ষেত্ৰত বৈধ হৈছে পূৰ্ণ বাক্য কোৱা, যাৰ নাম কালাম বা বাক্য, কালামৰ একবচন হৈছে কলিমা বা শব্দ। পূৰ্ণ বাক্যৰ দ্বাৰা অন্তৰ উপকৃত হয়, তাৰ দ্বাৰাই ছোৱাব, বিনিময় আৰু আল্লাহৰ নৈকট্য হাছিল হয়, লগতে তেওঁৰ মুহাব্বত, ভয় আৰু পৰিচয়সহ ইত্যাদি মহান সাফল্য আৰু সুউচ্চ মৰ্যদা অৰ্জন হয়। আনহাতে (বাক্যৰ একাংশ) এটা শব্দ কৈ বাক্য শেষ কৰাৰ কোনো ভিত্তি নাই, তেন্তে কেতিয়া আকৌ সেইটো বিশেষ বা বিশেষতকৈ বিশেষ যিকিৰ হ’ল? বৰং এইটো বিদ‘আত আৰু গোমৰাহী আৰু যিন্দিক ও নাস্তিকসকলৰ বিকৃত মানসিকতাৰ বহিঃপ্ৰকাশ। দ্বীনৰ প্ৰধান দুটা মূলনীতি হৈছে: ১. আল্লাহৰ বাহিৰে আন কাৰো ইবাদত নকৰা আৰু ২. তেওঁ যেনেকৈ ইবাদত কৰিবলৈ কৈছে ঠিক তেনেকৈ তেওঁৰ ইবাদত কৰা, বিদ‘আতী পন্থাত তেওঁৰ ইবাদত নকৰা”।[44] ইবনে তাইমিয়্যাৰ কথা সমাপ্ত। ইয়াত আছে গৱেষণামূলক স্পষ্ট বৰ্ণনা, য’ত সন্দেহৰ কোনো অৱকাশ নাই, হক (সত্য) সদায় এইদৰেই স্পষ্ট হয়।

এইবোৰ বিদ‘আতীসকলৰ নতুন যিকিৰৰ ফলত মুছলিমসকলৰ মাজত কিছুমান প্ৰশ্ন আৰু ভাৱনাৰ জন্ম লভিছে: আল্লাহৰ দ্বীনত যাৰ কোনো ভিত্তি নাই, চৰীয়তৰ তৰফৰ পৰা যাৰ সপক্ষে কোনো দলীল নাই, বৰং ইয়াৰ মোকাবিলাত বিশুদ্ধ ছুন্নাহ আৰু যিকিৰ ত্যাগ কৰাৰ ৰহস্য কি? কিহৰ বাবে সিহঁতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ হিদায়তৰ পৰা আঁতৰ হৈছে আৰু তাৰ পৰা মুখ ঘুৰাই লৈছে? আৰু মনোনিবেশ কৰিছে এনেকুৱা কিছুমান যিকিৰত, যি বিষয়ে আল্লাহে কোনো দলীল নাযিল কৰা নাই! তথাপিও বিদ‘আতী যিকিৰক মহান বুলি গণ্য কৰাৰ কাৰণ কি?, তাক চূড়ান্ত পৰ্যায়ৰ সন্মান দিয়া, তাৰ বিপৰীতে

[44] মাজমুউল ফাতাৱা: (১০/১৩৪-২২৭)

ছুন্নাহ আৰু শ্বৰঈ‘ যিকিৰৰ সন্মান নষ্ট কৰাৰ কাৰণ কি, যি যিকিৰ সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বোত্তম নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ আদৰ্শ?!

আল্লাহে তেওঁৰ ওপৰত আৰু তেওঁৰ বংশধৰসকলৰ ওপৰত লগতে তেওঁৰ সকলো ছাহাবীৰ ওপৰত চালাত ও ছালাম প্ৰেৰণ কৰক।

সমাপ্ত

IslamHouse.com